# বিজ্ঞান বাৰ্তা

2025

**ASSAM SCIENCE SOCIETY**


# BIGYAN BARTA

Vol-2 | Issue-1 | Jan – Feb | a Bimonthly newsletter



## কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি








BIGYAN BARTA

# TABLE OF CONTENTS


## EDITORIAL BOARD

**Advisors :**
Kshiradhar Baruah
Basanta Deka
Dr. Abani Kumar Bhagabati
Dr. Jaideep Baruah
Abhijit Sarma Borua







**Chief Editor :**
Nirud Kumar Borah

**Editor :**
Pankaj Kumar Boruah

**Members:**
Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Hiranya Kr. Nath
Pradip Mahanta






**Graphics and design:**
Nirud Kumar Borah

**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022



Editorial .............................................................. 01
Teachers` training program/Akas sau aha...02
Smrity Charon.............................................03
Book opening................................................05
Charge handover.........................................06
Science exhibition.......................................07
State level easy competition.........................08
Online quiz completion(Result).....................09
Awareness......................................................10
Congratulation.. ............................................11
Technical Session..........................................12
Organizational meeting.................................13
Assam Science Day........................................14
Conference of Branches.................................28
Meeting on Science and environment........33
National Science Day.....................................35
Project implementation Sub
committee meeting 20...................................70
State level workshop.....................................71
12th Executive meeting..................................72
Jatiya Bigyan Punji .........................................75

BIGYAN
BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL

বিজ্ঞান বাৰ্তা

VOL-2-,-ISSUE 1::, JANUARY -FEBRUARY , A BIMONTHLY NEWS LETTER

বৰ্ষ ২ ঃ ১ম সংখ্যা ঃ জানুৱাৰী-ফেব্ৰুৱাৰী ২০২৫

# সম্পাদকীয়

বিজ্ঞান বাৰ্তাৰ সকলো পঢ়ুৱৈলৈ সাদৰ সম্ভাষণ জনাইছোঁ। ২০২৫ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰী মাহৰ সংখ্যাত অসম বিজ্ঞান সমিতিৰ বিভিন্ন শাখাই সম্পাদিত কৰা বিভিন্ন অসম বিজ্ঞান সমিতিৰ দুমহীয়া ই আলোচনীৰ ই-বাৰ্তাৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যালৈ সকলোকে স্বাগতম জনাইছো। গত জানুৱাৰি আৰু ফেব্ৰুৱাৰী মাহত সম্পন্ন হোৱা বিভিন্ন কাৰ্যসূচীৰ ৰূপ ৰেখা এনেধৰণৰ।শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী , আকাশ চাও আহা, বিজ্ঞান প্ৰদৰ্শনী,ৰাজ্যিক ভিত্তিত ৰচনা প্ৰতিযোগিতা, ৬৯ সংখ্যক কাৰিকৰী অধিবেশন ৰ আয়োজন সম্পৰ্কীয় সভা , অসম বিজ্ঞান দিৱস উদযাপন, ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন, ৫৫ সংখ্যক ৰাজ্যিক অধিবেশনৰ কামকাজৰ প্ৰাৰম্ভণ আদি বিভিন্ন কাৰ্যসূচী সম্পন্ন কৰা হয়।নতুন বছৰৰ আৰম্ভণিৰে পৰা দুটা মাহত বিভিন্ন কাৰ্যসূচী সমাপন কৰাৰ লগতে স্মৃতিচাৰণ সভা, গ্ৰন্থ উন্মোচনী সভাও সম্পন্ন হয়। সমাজক বিজ্ঞান মুখী কৰাত অসম বিজ্ঞান সমিতিয়ে জন্ম লগ্নৰে পৰা কাম কৰি আহিছে। বিজ্ঞান প্ৰসাৰৰ এই কামত নিয়োজিত সকলো বিজ্ঞান কৰ্মী য়ে নিৰলস ভাৱে কাম কৰি আহিছে। সুখৰ কথা যে আমাৰ শাখাবোৰ পূৰ্বতকৈ অধিক সক্ৰিয় হৈছে। নতুন শাখা গঢ় লৈছে। সেই অনুপাতে আজীৱন সদস্য ভৰ্তিৰ সংখ্যা বাঢ়িছে।

“জাতীয় বিজ্ঞান পুঁজি” -এটি নৱ চিন্তা, এই পুঁজিলৈ সদৌকে দান বৰঙণি আগবঢ়াবলৈ মুকলি আহ্বান জনাইছোঁ। অসম বিজ্ঞান সমিতিৰ কাম কাজে সমাজৰ প্ৰতিটো স্তৰেই উন্নতি সাধন কৰক এই আশাৰে এই সংখ্যাটি আপোনালোকলৈ আগবঢ়ালো।

ধন্যবাদেৰে,

নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা







Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

# Tezpur branch

## Teachers Training Programme

organized by Assam Science Society, Tezpur branch in collaboration with Darrang College (Date: 3rd January 2025)











# Assam Science Society






## TEZPUR BRANCH

# Assam Science Society organizes a day-long teachers training program

**Tezpur, Jan 04:** The Assam Science Society, Tezpur Branch, in association with Darrang College, has organized a day-long teachers training program on good laboratory practices, handling of lab equipment, and safety issues at Vivekananda Kendra Vidyalaya Tezpur on 3rd January. An interaction program with the students of VKB, Tezpur, was also held on modern science and the challenges of human civilization. The training program was supported by The Rotary Foundation under the 'Global Grant Project' of the Rotary Club of Greater Tezpur. The aim of the training is "Professional Development for Academic Excellence in Tezpur." The program was started with an inaugural session with the lighting of the lamp and Shanti Path in the presence of Dr. Palashmoni Saikia, Principal, Darrang College; Rupanjali Borthakur, Principal, VKB Tezpur; Dr. Chittaranjan Baruah, Secretary, Assam Science Society, Tezpur Branch; resource persons from Darrang College, Dr. Akhil Baruah, Associate Professor, Department of Botany; Dr. Rabindra Hazarika, Assistant Professor, Department of Zoology; Dr. Saiful Islam, Assistant Professor, Department of Physics; and Bidyut Daimari, Assistant Professor, Department of Chemistry. Dr. Saikia, Principal of Darrang College & President of the Assam Science Society, Tezpur Branch, has emphasized the importance of a scientific approach in laboratories and let the participants know that Darrang College, in association with the Assam Science Society, will organize a series of training programs for faculty and students of higher secondary schools of Sonitpur District. The day-long training program was attended by the faculty members and students of VKB Tezpur.



Physics, chemistry, botany, and zoology have all been addressed in the course, along with specific laboratory procedures and equipment handling. According to Dr. Chittaranjan Baruah, Secretary of the Assam Science Society, Darrang College will host the next training session for the Assam Science Society's Tezpur chapter in cooperation with the college.

## মাজুলী শাখা

# মাজুলীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যক্ষ কৰিলে সৌৰজগতৰ গ্ৰহ

নিজা বাতৰি দিওঁতা


**মাজুলী, ৩১ ডিচেম্বৰ** ঃ উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত গুৱাহাটী তাৰকাগৃহৰ সৌজন্যত আৰু অসম বিজ্ঞান সমিতি মাজুলী শাখা, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ মাজুলী ব্লকৰ সহযোগত মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৬ ডিচেম্বৰত টেলিস্কোপৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যক্ষ কৰিলে সৌৰজগতৰ কেইবাটাও গ্ৰহ। বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত 'আকাশ চাওঁ আহক' শীৰ্ষক কৰ্মশালাখন উদ্বোধন কৰে বিদ্যালয়ৰ অধ্যক্ষ তিলক চন্দ্ৰ শৰ্মাই। গুৱাহাটী তাৰকাগৃহৰ বিষয়া মানস প্ৰতিম শৰ্মাই কৰ্মশালাখনত বক্তব্য প্ৰদান কৰে।

গুৱাহাটী তাৰকাগৃহৰ প্ৰাক্তন কিউৰেটৰ আৰু বৰ্তমানৰ পৰামৰ্শদাতা বাবুল চন্দ্ৰ বৰাই দৃশ্যশ্ৰাব্য মাধ্যমেৰে উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক উদ্দেশ্যি মহাকাশৰ গ্ৰহ নক্ষত্ৰ, তাৰকাপুঞ্জ আদিৰ অৱস্থিতি সম্পৰ্কে বহুলভাৱে আলোচনা কৰে। ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্ন উত্তৰত তাৰকাগৃহৰ সমল বিষয়াসকলৰ উপৰি মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ধ্ৰুৱজ্যোতি ওজাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ মনযোগ আকৰ্ষণ কৰে। কৰ্মশালাৰ অন্তত তাৰকাগৃহৰ দুটা অত্যাধুনিক টেলিস্কোপৰ দ্বাৰা বৃহস্পতি গ্ৰহৰ লগতে তাৰ উপগ্ৰহসমূহ, শনি গ্ৰহৰ আঙঠিসহ সুন্দৰকৈ ছাত্ৰ-ছাত্ৰীক দেখুৱায়। উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ টেলিস্কোপৰে সমন্বয়ক জয়ন্ত মাধৱ কলিতাই শুক্ৰ গ্ৰহ দেখুৱাই ছাত্ৰ-ছাত্ৰীক আমোদ দিয়ে। মাজুলী জিলা প্ৰশাসনৰ সহকাৰী আয়ুক্ত সঙ্গীতা বৰুৱা এই কাৰ্যসূচীত উপস্থিত থাকি সকলোকে উৎসাহিত কৰে। সমগ্ৰ কাৰ্যসূচীটোৰ আঁত ধৰে উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক জয়ন্ত মাধৱ কলিতাই।

### 'আকাশ চাওঁ আহক' শীৰ্ষক কৰ্মশালা



# স্মৃতিচাৰণ সভা




অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি ড° অনিল কুমাৰ গোস্বামীৰ বিয়োগত স্মৃতিচাৰণ সভা আয়োজকঃ অসম বিজ্ঞান সমিতি, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ আৰু গুৱাহাটী তাৰকাগৃহখানাপাৰা, গুৱাহাটী

10 জানুৱাৰি,2025












# পিচলা শাখাত গ্ৰন্থ উন্মোচনী সভা




https://www.facebook.com/share/v/1MqEhw4Gkz/

# দায়িত্ব অৰ্পন

আজি সমিতিৰ ভাৰপ্ৰাপ্ত বিজ্ঞান বিষয়া হিচাপে ভৱেশ শৰ্মাক সাময়িক ভাবে দায়িত্ব অৰ্পন কৰা হৈছে ।এতিয়াৰ পৰা সকলোকে তলত উল্লেখ কৰা নম্বৰত সকলো যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ । ভৱেশ শৰ্মা- Phone No. 93657611056001 (৯৩৬৫৭৬১১০৫৬০০১৩৯৯৩১৫) ধন্যবাদ সহকাৰে প্ৰধান সচিব অ বি স 19-1-25





Republic Day

## NEWS

Dr Binoy Kumar Saikia, Shanti Swarup Bhatnagar awardee of 2021 has been invited by the Hon'ble President of India to receive the Eminent Scientist Award 2025 on the Republic Day at Rastrapati Bhawan. He is a life member of Assam Science Society **Jorhat Branch**.The Branch is proud on the great achievement of Dr Saikia.


অসম বিজ্ঞান সমিতি আমবাগান শাখাৰ অন্তৰ্ভুক্ত আইডিয়েল ইংলিছ একাডেমীৰ প্ৰতিষ্ঠা দিৱসত অনুষ্ঠিত বিজ্ঞান প্ৰদৰ্শনী











## ৰাজ্যিক পয্যায়ৰ ৰচনা প্ৰতিযোগিতা



অসম বিজ্ঞান সমিতি গৌৰীসাগৰ দিখৌমুখ শাখাৰ উদ্যোগত ৰাজ্যিক পয্যায়ৰ ৰচনা প্ৰতিযোগিতালৈ প্ৰতিযোগী নিৰ্বাচন কৰিবৰ বাবে শাখাৰ অন্তৰ্গত শিক্ষানুষ্ঠানৰ ছাত্ৰ ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাৰ প্ৰথম দিন। সৰ্বমুঠ ৩৫ জন প্ৰতিযোগীয়ে যোগদান কৰে





অসম বিজ্ঞান সমিতি গৌৰীসাগৰ দিখৌমুখ শাখাৰ উদ্যোগত ৰাজ্যিক পয্যায়ৰ ৰচনা প্ৰতিযোগিতালৈ প্ৰতিযোগী নিৰ্বাচন কৰিবৰ বাবে শাখাৰ অন্তৰ্গত শিক্ষানুষ্ঠানৰ ছাত্ৰ ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাৰ দ্বিতীয় দিন। সৰ্বমুঠ ২৯ জন প্ৰতিযোগীয়ে যোগদান কৰে। আমাৰ অন্তৰ্গত অঞ্চলটো পৰিসৰ ডাঙৰ হোৱা বাবে আমি দুটা দিনত দুটা কেন্দ্ৰত অনুস্থিত কৰো







ASSAM SCIENCE SOCIETY
DERGAON BRANCH
ESTD. : 1978
P.O.: DERGAON-785614, DIST.: GOLAGHAT, ASSAM
অসম বিজ্ঞান সমিতি ঃঃ দেৰগাঁও শাখা
পোঃ আঃ দেৰগাঁও - ৭৮৫৬১৪, জিলাঃ গোলাঘাট, অসম
(REGISTERED UNDER SOCIETIES REGISTRATION ACT XXI OF 1860)
CONTACTS : 9435204040/9678964375, Email.: assdrn23@gmail.com

Secretary
Dr. Sanjoy Kr. Hazarika

President
Dr. Monoj Jyoti Hazarika

Ref. No. ASS/DRN/ASD/2025/01

Date: 14-02-2025

# All Assam Online Quiz

## On Science and Climate Change

## Organised by Assam Science Society, Dergaon Branch

### On the occasion of the Foundation Day of Assam Science Society

## Assam Science Day

### Conducted by: *Quiztival*, a Quiz Forum, Dergaon

# Result

| Name | Age | Address | District | Position |
|---|---|---|---|---|
| Mouchum Kaushik | 33 | Barichuwa Brahmin Gaon | Golaghat | First |
| Chinmoy Bhuyan | 16 | Sonari | Charaideo | Second |
| Pratyasha Borthakur | 24 | Dergaon | Golaghat | |
| Monjil Agamacharya | 19 | Kuralguri | Golaghat | Third |
| Sarango Hazarika | 18 | Dergaon | Golaghat | |
| Animesh Baruah | 19 | Missamara, Mudoigaon | Golaghat | Fourth |
| Archana Gita Saikia | 23 | Dergaon | Golaghat | |
| Abhigyan Borthakur | 20 | Baligaon | Jorhat | Fifth |
| Jyoti Saikia | 55 | Borting Nowsalia | Golaghat | |
| Silpisikha Baruah | 28 | Jorhat | Jorhat | Consolation |
| Samadrita Goswami | 39 | Duliajan | Dibrugarh | |
| Porismita Mahanta | 30 | Ganakpukhuri | Golaghat | |

SANJOY KUMAR HAZARIKA Digitally signed by SANJOY KUMAR HAZARIKA Date: 2025.02.14 09:20:03 +05'30'

**(Dr Sanjoy Kr. Hazarika)**
Secretary
Assam Science Society
**Dergaon Branch**
And
Director (Hon.)
***Quiztival***

অসম বিজ্ঞান সমিতি গৌৰীসাগৰ-দিখৌমুখ শাখাৰ প্লাষ্টিকৰ পৰিবৰ্তে কলপাত আৰু ডোং ব্যৱহাৰৰ **গোহাৰিপত্ৰ বিতৰন ও সজাগতাৰ** দ্বিতীয় দ্বিতীয় দিন











২০২৫-২৬ বৰ্ষৰ বাবে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি হিচাপে ড° গণেশ্বৰ চহৰীয়া ছাৰ নিৰ্বাচিত হৈছে । অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য তথা বকো শাখাৰ ছয়টা বৰ্ষৰ কাৰ্যকৰী সভাপতি, 'বিজ্ঞান জেউতি' জনপ্ৰিয় বিজ্ঞান আলোচনীখনৰ সাতটা খণ্ডত সম্পাদনা সমিতিৰ সদস্য হিচাপে আগবঢ়োৱা অৱদান, ৪৯ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থৰ সম্পাদক আদি বিভিন্ন ধৰণৰ ভাষা-সাহিত্য - সংস্কৃতি, বিজ্ঞান সাহিত্যত জড়িত এগৰাকী আগৰণুৱা ব্যক্তি হিচাপে অসম বিজ্ঞান সমিতি, বকো শাখাৰ তৰফৰ পৰা শাখাৰ সভাপতি অৰবিন্দ চৌধুৰী আৰু সম্পাদক পৱিত্ৰ কৈৱৰ্ত্ত স্বাক্ষৰিত এটি 'শুভেচ্ছা বাৰ্তা'ৰে শুভেচ্ছা জনোৱাৰ লগতে এখনি গামোচা আৰু কিতাপেৰে অভিনন্দন জনোৱা হয় । বকো সাহিত্য সভা ভৱনত অষ্টাদশ বকো গ্ৰন্থমেলা আয়োজন সম্পৰ্কীয় এখন সাধাৰণ সভাত শাখাৰ পৰা উপস্থিত থকা বিষয়ববীয়াৰ তৎপৰতাত। বিভিন্ন দল-সংগঠনৰ বিষয়-ববীয়া, সদস্যৰ লগতে অসম বিজ্ঞান সমিতি, বকো শাখাৰ আজীৱন সদস্য নৃপেন ভাগৱতী, প্ৰহ্লাদ বড়ো,ড° বিজয়া ডেকা, অপূৰ্ব কুমাৰ ৰয় , সম্পাদক পৱিত্ৰ কৈৱৰ্ত্ত উপস্থিত থাকে

- পৱিত্ৰ কৈৱৰ্ত্ত












LATEST NEWS

## বিশ্বনাথত অসম বিজ্ঞান সমিতিৰ ৬৯ সংখ্যক কাৰিকৰী অধিৱেশনৰ প্ৰস্তুতি



অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত বিশ্বনাথত অহা ২৯ মাৰ্চত ৬৯ সংখ্যক কাৰিকৰী অধিৱেশন তথা ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আয়োজন কৰা হৈছে। তদুপলক্ষে আজি বিশ্বনাথ চাৰিআলিৰ নীলপুৰস্থিত অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ স্থায়ী কাৰ্যালয় বিজ্ঞান ভৱনত এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সম্পাদক ডঃ সঞ্জীৱ উপাধ্যায়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সভাপতি ডঃ প্ৰদীপ কুমাৰ মহন্তই। উক্ত সভাত সকলো সদস্যৰ সন্মতি ক্ৰমে কাৰিকৰী অধিৱেশনৰ আয়োজক সমিতিৰ সভাপতি ডঃ প্ৰদীপ কুমাৰ মহন্ত, সম্পাদক ডঃ সঞ্জীৱ উপাধ্যায়, যুটীয়া সম্পাদক হিচাপে ৰিপুঞ্জয় বৰদলৈ, সহকাৰী সম্পাদক হিচাপে ডঃ ললিত বৰুৱা আৰু ডঃ ইন্দ্ৰজিৎ বৰ্মনক দায়িত্ব অৰ্পনৰে ৩০ জনীয়া সমিতি গঠন কৰা হয়। কাৰিকৰী সত্ৰ উপসমিতিৰ সঞ্চালক হিচাপে ডঃ প্ৰশান্ত নেওগ, সমন্বয়ক ডঃ অজয় দে, বিত্ত বিভাগৰ সঞ্চালক অমৰজ্যোতি বৰঠাকুৰ, কোষাধ্যক্ষ ডঃ বিশ্বজিৎ শৰ্মা, প্ৰকাশন পৰিষদৰ সঞ্চালক ডঃ ৰত্ন কিংকৰ গোস্বামী, সহ-সঞ্চালক ডঃ মনোজ কুমাৰ শৰ্মা, সমন্বয়ক ডঃ নিলোফাৰ শ্বেখ, খাদ্য উপসমিতিত সঞ্চালক ডঃ ৰাজেশ্বৰ বড়ো, সমন্বয়ক ডঃ বলিন ভূঞা, আদৰণি সমিতিৰ সঞ্চালক লিনা হাজৰিকা, সমন্বয়ক বন্দনা গগৈ, পঞ্জীয়ন সমিতিৰ সঞ্চালক ডঃ হেমেন্দ্ৰ চৌধুৰী, সমন্বয়ক ডঃ কৰবী গগৈ, ব্যৱস্থাপনা সমিতিৰ সঞ্চালক ডঃ অমল শইকীয়া, সমন্বয়ক ডঃ দেৱাশিষ শৰ্মা, প্ৰচাৰ উপসমিতিৰ সঞ্চালক নিৰঞ্জন হাজৰিকা, সমন্বয়ক বসন্ত বৰা আৰু সহকাৰী সমন্বয়ক হেমন্ত শইকীয়াক দায়িত্ব অৰ্পণ কৰা হয়। সভাত উপস্থিত থকা অৱসৰপ্ৰাপ্ত অধ্যাপক ধনেশ্বৰ বৰা, ডঃ গুনীন বৰা, বিশিষ্ট বিজ্ঞান কৰ্মী ডঃ ভক্ত প্ৰসাদ গৌতম, মাহমুদ আহমেদ, টিকেন্দ্ৰজিৎ বৰাই কাৰিকৰী সত্ৰৰ ওপৰত মতামত আগবঢ়ায়। উল্লেখযোগ্য যে ইচ্ছুক গৱেষণাৰ লগত ছাত্ৰ আৰু অধ্যাপক সকলে "Science & Technology for Sustainable development" শীৰ্ষক বিষয়ৰ ওপৰত কাৰিকৰী সত্ৰত অংশগ্ৰহণ কৰিবলৈ গৱেষণা পত্ৰৰ সাৰাংশ ৩০০ শব্দৰ ভিতৰত ৫ মাৰ্চত পোৱাকৈ তলত দিয়া ইমেইলত দিবলৈ জনোৱা হ'ল- annualtechnicalsession@gmail.com. সবিশেষ জানিবলৈ ৯৯৫৪৪৯৭৫৫৫ আৰু ৯৮৬৪৩৬৬১৬১ ত যোগাযোগ কৰিবলৈ জনোৱা হ'ল।

am Tribune Date 2 Fe

spoke on the occassion.

## Preparations on for Assam Science Society session

**CORRESPONDENT**

BISWANATH CHARIALI, Feb 1: The 69th technical session of the Asam Science Society and a national level seminar will be held on March 29 with a day-long programme at Biswanath Chariali. A general meeting was held at the office of the Society's Biswanath Chariali branch in this regard on Friday.

The meeting was presided over by Dr Pradip Kumar Mahanta, president, Assam Science Society, Biswanath Chariali branch while it was conducted by its secretary Dr Sanjiv Upadhyay. With the consent of all the members present in the meeting, a 30-member organising committee was formed with Dr Pradip Kumar Mahanta as president and Dr Sanjiv Upadhyay and Ripunjoy Bordoloi as joint secretaries.

Prof Dhaneshwar Borah, Dr Gunin Borah, eminent science activist Dr Bhakta Prasad Gautam, Mahmud Ahmed, Tikendrajit Borah etc., spoke a few words in the meeting.

Interested students and professors can participate in the seminar by sending their research papers on the topic titled, 'Science and Technology for Sustainable Development' to the e-mail id: annualtechnicalsession@ gmail.com before March 5. For more information, one can contact at the phone numbers 9954497555 and 9864366161.

# অসম বিজ্ঞান সমিতি মৰাণ শাখাৰ এক সাংগঠনিক আলোচনাত










## অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ উদ্যোগত ফটিক চন্দ্ৰ বৰুৱাৰ স্মৃতিচাৰণ সভা

প্ৰতিদিন সেৱা, ডুমডুমা, ১০ ফেব্ৰুৱাৰী : ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তি তিব্বতৰ মানস সৰোবৰৰ পৰা ছাংপো নামেৰে হোৱা বুলি অতদিনে জানি অহাৰ বিপৰীতে পৰৱৰ্তী সময়ত উপগ্ৰহৰ চিত্ৰই প্ৰমাণ কৰিলে যে মানস সৰোবৰৰ ওপৰৰ চেমা ইউণ্ডুং হিমবাহৰ পৰাই প্ৰকৃততে নদীখনৰ উৎপত্তি হৈছিল। ৬ ফেব্ৰুৱাৰীত জনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ উদ্যোগত আয়োজিত ফটিক চন্দ্ৰ বৰুৱা স্মৃতিচাৰণ সভাত বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ত্ব বিভাগৰ প্ৰাক্তন কেশৱদেউ মালব্য অধ্যাপক বিশিষ্ট নদী বিশেষজ্ঞ ড° যোগেন্দ্ৰ নাথ শৰ্মাই এইদৰে কয়। ব্ৰহ্মপুত্ৰৰ মুখত চীনৰ বৃহৎ নদীবান্ধ নিৰ্মাণ সন্দৰ্ভত ড° শৰ্মাই কয় যে পানী বিতৰণৰ ক্ষেত্ৰত ই আমাৰ বাবে কোনো সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে, কিয়নো নদীখনৰ ৮০ শতাংশ পানী অসম তথা অৰুণাচল প্ৰদেশৰ বিভিন্ন উপ-নৈসমূহে যোগান ধৰে। ইয়াৰ মাত্ৰ ২০ শতাংশহে চীন দেশৰ উপনৈসমূহে যোগান ধৰে। কিন্তু তেওঁ লগতে এইবুলি সকীয়াই দিয়ে যে চীন চৰকাৰে ছাংপোৰ গতিপথত নিৰ্মাণ কৰিবলৈ লোৱা প্ৰস্তাৱিত মেগা নদী বান্ধটোক চীনে 'জল বোমা' হিচাপে ব্যৱহাৰ কৰি ইয়াৰ তলৰ অঞ্চলটোত প্ৰলয়ৰ সৃষ্টি কৰিব পাৰে। সভাৰ আৰম্ভণিতে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক নিৰোদ বৰুৱাই ১৯৮৫ চনত জনলাল হাইস্কুলখনক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাত যথেষ্ট ত্যাগ স্বীকাৰ কৰা পিতৃ ফটিক চন্দ্ৰ বৰুৱাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু ইংৰাজী বিষয়ৰ ভাষা আৰু সাহিত্য উভয় শাখাতে এম এ ডিগ্ৰী লোৱাৰ উপৰি পিতৃৰ শিক্ষণৰ প্ৰতি থকা আগ্ৰহৰ বিষয়ে চমুকৈ কয়। সভাপতি ড° মীনা দেৱী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ড° পৰমানন্দ মহন্ত। বিজ্ঞানসন্মত মানসিকতা বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক উপদেশ দিয়াৰ লগতে তেওঁ কৃত্ৰিম বুদ্ধিমত্তাৰ (এ আই) কুপ্ৰভাৱ আৰু ম'বাইলৰ জৰিয়তে জনসাধাৰণৰ ভাৰ্চুৱেল অস্তিত্বৰ বাবে মানুহৰ সৈতে মানুহৰ সংস্পৰ্শৰ অভাৱৰ আশংকা প্ৰকাশ কৰে। সভা আৰম্ভ কৰাৰ পূৰ্বে অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি তথা কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল কুমাৰ গোস্বামীৰ স্মৃতিত এক মিনিট মৌনতা অৱলম্বন কৰা হয়। সভাত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াৰ উপৰি ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা আৰু কাকপথাৰ পদ্মনাথ গোহাঁই বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধানুৰাম মনিপৰে ভাষণ দিয়ে। সম্পাদক ধীৰেন ডেকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি অনুষ্ঠানত [illegible] বিশেষ বৰুৱাক চিনাকি কৰাই দিয়ে। একেদৰে শাখাটোৰ আজীৱন সদস্য কণমণি দত্ত ভূঞা আৰু প্ৰকাশ দত্তই মুখ্য অতিথি ক্ৰমে ড° পৰমানন্দ মহন্ত আৰু স্মৃতিচাৰণ বক্তৃতাৰ মুখ্য বক্তা ড° যোগেন্দ্ৰ নাথ শৰ্মাক চিনাকি কৰাই দিয়ে। আনহাতে ৬ ফেব্ৰুৱাৰীত মুকলি অধিৱেশন আৰু স্মৃতিচাৰণ বক্তৃতাৰে দুদিনীয়াকৈ অনুষ্ঠিত হোৱা দ্বি-বাৰ্ষিক সন্মিলনৰ অন্ত পৰে। ৫ ফেব্ৰুৱাৰীত ডুমডুমা নাট্য মন্দিৰত অনুষ্ঠিত সাধাৰণ সভাত ড° মীনা দেৱী বৰুৱাক সভাপতি, খিকানন্দ বৰগোহাঁইক কাৰ্যকৰী সভাপতি, ধীৰেন ডেকাক সাধাৰণ সম্পাদক, উৎপল পূজাৰীক যুটীয়া সম্পাদক, কণমণি দত্ত ভূঞা আৰু কবি চৌধুৰীক সহকাৰী সম্পাদক, অৰ্জুন বৰুৱাক কোষাধ্যক্ষ হিচাপে লৈ ২০২৫-২০২৭ বৰ্ষৰ বাবে ১৭ জনীয়া নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।


অসম বিজ্ঞান দিৱস
ASSAM
SCIENCE
DAY
13th February

গোৰেশ্বৰ শাখাৰ অসম বিজ্ঞান দিৱস উদ্‌যাপন অসম বিজ্ঞান সমিতি গোৰেশ্বৰ শাখাৰ উদ্যোগত বাপুজী মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অসম বিজ্ঞান দিৱসটি উদ্‌যাপন কৰা হয়।পূৱা ৯বজাত পতাকা উত্তোলন কৰি শাখাৰ সভাপতি নিৰ্মল দেৱনাথে অসম বিজ্ঞানসমিতিৰ প্ৰতিষ্ঠাৰে পৰা বৰ্ত্তমানলৈ কৰা কামৰ বৰ্ণনা কৰে।১০বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান বিষয়ক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।১২-৩০বজাত “জলবায়ু পৰিবৰ্তন ৰোধক অভিযানৰ স্থবিৰতা দূৰ কৰোঁ আহক”মূল বিষয়ৰ ওপৰত অনুস্থিত হোৱা আলোচনা চক্ৰ সঞ্চালনা কৰে শাখাৰ সভাপতি নিৰ্মল দেৱনাথে।সম্পাদক মকুন্দ কাকতি আতঁ ধৰা সভাত সমল ব্যক্তি বিজ্ঞান সমিতিৰ আজীৱন সভ্য লতিফ চৌধূৰী আৰু বিজ্ঞান শিক্ষক অশোক মজুমদাৰে জলবায়ু পৰিবৰ্তন ৰোধক অভিযানত মানুহে কেনেদৰে বাধাৰ সৃষ্টি কৰিছে,কেনেদৰে বাধা সমুহ আতৰাব পাৰি সেই বিষয়ে সুন্দৰ ভাবে বুজাই দিয়ে।উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক শম্ভূ দাস বিজ্ঞান সমিতিৰ সম্পাদক মকুন্দ কাকতি,মণিকা দাসেও বক্তব্য ৰাখে।সভাতবিজয়ী ছাত্ৰ-ছাত্ৰীক বটা প্ৰদান কৰা হয়।শেষত সম্পাদকে শলাগৰ শৰাই আগবঢ়ায়।










## অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উদযাপন ,ঢকুৱাখনা শাখা













অসম বিজ্ঞান দিৱস , 13 ফেব্ৰুৱাৰী , 2025অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি সমগ্ৰ ৰাজ্যৰ লগতে অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাই ঢকুৱাখনা কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসম বিজ্ঞান দিৱস পালন কৰে । অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ মহিলা কোষৰ সম্পাদিকা স্বৰ্ণলতা গগৈৰ দ্বাৰা নিশ্চিত প্ৰতিপালনৰ নিশ্চয়তা প্ৰদান কৰি এটি কঁঠাল গছৰ পুলি ৰোপণ কৰে । অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সভাপতি দিগেন্দ্ৰ নাথ হাজৰিকাই পতাকা উত্তোলনৰ পাছতেই ঢকুৱাখনা কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰছাত্ৰীৰ দ্বাৰা সমবেত সংগীতেৰে মুকলি সভা আৰম্ভ হয় । অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে আঁতধৰা সভাখন উদ্বোধন কৰে অসম বিজ্ঞান সমিতিৰ উপসভাপতি ডঃ অমল চন্দ্ৰ দত্তই । সভাত অসম বিজ্ঞান দিৱসৰ এই বছৰৰ মূল বিষয় জলবায়ু পৰিৱৰ্তন ৰোধক অভিযানৰ স্থবিৰতা দূৰ কৰোঁ আহক বিষয়ত বক্তৃতা প্ৰদান কৰে অসম চৰকাৰৰ পৰিৱেশমিত্ৰ সন্মানেৰে সন্মানিত দেৱজিৎ ফুকনদেৱে । অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ আজীৱন সদস্যৰ উপস্থিতিত সভাখনৰ শলাগৰ শৰাই আগবঢ়াই অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ প্ৰাক্তন সম্পাদক ৰজনী চেতিয়াই ।



পিছলা শাখাই তাতিবাহৰ মজলীয়া বিদ্যালয়ত আয়োজন কৰা অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ কিছু আলোকচিত্ৰ













অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উদযাপন। আজি অসম বিজ্ঞান সমিতি , ধেমাজি শাখাই অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসটি ' অসম বিজ্ঞান দিৱস' হিচাবে সমিতিৰ নিজা কাৰ্যালয়ৰ চৌহদতে উদযাপন কৰে।অসম বিজ্ঞান সমিতি, ধেমাজি শাখাৰ সভাপতি লাৱণ্য লাহন চুতীয়াই পতাকা উত্তোলন কৰাৰ পাছতেই ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ অন্নজ্যোতি গগৈয়ে অসম বিজ্ঞান দিৱসৰ এই বছৰৰ মূল বিষয় 'জলবায়ু পৰিৱৰ্তন ৰোধক অভিযানৰ স্থবিৰতা দূৰ কৰোঁ আহক' বিষয়ত বক্তৃতা প্ৰদান কৰে। বিশিষ্ট অতিথি অৱসৰপ্ৰাপ্ত বিদ্যালয় প্ৰধানদ্বয় বিপিন বৰা আৰু দুলাল দত্তই বৰ্তমান সময়ত পৰিবেশ সংৰক্ষণৰ বিষয়টোৰ গুৰুত্বৰ প্ৰতি বক্তব্য ৰাখে। অনুষ্ঠানটিত সমিতিৰ সদস্য, শিক্ষক, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়ায় অসম বিজ্ঞান সমিতি ,ধেমাজি শাখাৰ সম্পাদক ডিম্বেশ্বৰ কলিতাই









# গৌৰীসাগৰ দিখৌমুখ

অসম বিজ্ঞান সমিতি গৌৰীসাগৰ দিখৌমুখ শাখাৰ উদ্যোগত শাখাৰ মুখ্য কাৰ্যালয় খনাখোকোৰা উচ্চ মাধামিক বিদ্যালয়ত বিজ্ঞান সমিতিৰ প্ৰতিস্থা দিৱস ও অসম বিজ্ঞান দিৱস বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। দুলুমনি বড়াই আঁত ধৰা অনুষ্ঠানটিত শাখাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি শ্ৰীযুত প্ৰশান্ত কুমাৰ নেওগ দেৱে। নেওগদেৱে তেখেতৰ বক্তৃতাত আজিৰ দিনটোৰ তাৎপৰ্য ব্যাখ্যা কৰে। এইবাৰ দিৱসৰ মূল বিষয় ওপৰত বক্তৃতা প্ৰদান কৰে শাখাৰ সদস্য শ্ৰীপল্লৱ কলিতাই। কলিতাদেৱে তথ্যসহকাৰে ছাত্ৰ ছাত্ৰীসকলৰ বোধগম্য হোৱাকৈ জলবায়ু পৰিৱৰ্তনৰ ওপৰত মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক ও শাখাৰ কাৰ্যকৰী সভাপতি হীৰেন কুমাৰ নেওগদেৱৰ উপস্থিতিত শাখাৰ সম্পাদক ড০ নৱজ্যোতি বড়াই আজিৰ অনুষ্ঠানটিত বিজ্ঞান সমিতিৰ লগতে শাখাৰ জন্মলগ্নৰ পৰা সম্পাদন কৰা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে অৱগত কৰে। তেখেতে আজিৰ অনুষ্ঠানতেই শাখাই ঢকুৱাখানা অধিৱেশনৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। আজিৰ অনুষ্ঠানত খনাখোকোৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, শাখাৰ সদস্য সকল আৰু বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকল উপস্থিত থাকে











## নগৰবেৰা শাখাৰ উদ্দোগত " অসম বিজ্ঞান দিৱস " উদযাপন











অসম বিজ্ঞান সমিতি মৰাণ শাখাই অনুষ্ঠিত কৰা আজিৰ অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ (অসম বিজ্ঞান দিৱস) কিছু আলোকচিত্ৰ















অসম বিজ্ঞান সমিতি ডিগবৈ শাখাৰ দ্বাৰা অসম বিজ্ঞান দিৱস উদযাপনআজি ইংৰাজী ১৩ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে জাতীয় বিদ্যালয়, ডিগবৈ প্ৰাঙ্গনত ৰাতিপুৱা ১০ বজাৰ পৰা ১ বজালৈ "অসম বিজ্ঞান দিৱস" পালন কৰা হয়। এই অনুষ্ঠানটো অসম বিজ্ঞান সমিতি, ডিগবৈ শাখা উদ্যোগত আৰু IQAC ডিগবৈ মহাবিদ্যালয় ( স্বায়ত্তশাসিত), জাতীয় বিদ্যালয়, ডিগবৈৰ সহযোগত অনুষ্ঠিত কৰা হয় । এই অনুষ্ঠানৰ লগত সংগতি এখনি "জলবায়ু পৰিৱৰ্তন ৰোধক অভিযানৰ স্থবিৰতা দূৰ কৰোঁ আহক" বিষয়ক আলোচনা ড০ কিশোৰ হালৈ (সম্পাদক,অসম বিজ্ঞান সমিতি ডিগবৈ শাখা) য়ে প্ৰদান কৰে লগতে উক্ত বিষয়ৰ ওপৰত কাৰ্যকলাপ আগবঢ়াব সন্মানীয় শ্ৰীদুলুমনি দাস (ধনভৰালী, অসম বিজ্ঞান সমিতি ডিগবৈ শাখা ) দেৱে । উক্ত সভাখনিৰ আদৰনী ভাষণ প্ৰদান কৰে জাতীয় বিদ্যালয় ৰ অধ্যক্ষ শ্ৰীযুতা মণিকা শেনছোৱা বাইদেউ য়ে। সভাখন সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতিৰ কাৰ্যকাৰী সভাপতি শ্ৰী কেদাৰ নাথ তিমচিনা ছাৰে। ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড০ পবন গগৈ ছাৰ উপস্থিত থাকি সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে









অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলনৰ মুহূৰ্ত
দুখন বিদ্যালয়ৰ প্ৰায় দুশ ছাত্ৰ-ছাত্ৰী
















অসম বিজ্ঞান দিৱস.....১৩/২/২০২৫১৩ ফেব্ৰুৱাৰী,২০২৫ ইং তাৰিখ বৃহস্পতিবাৰে 'অসম বিজ্ঞান দিৱস' অৰ্থাৎ অসম বিজ্ঞান সমিতিৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱসটি বকো শাখাই ডি এন ডি আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰা হয় ।

১৯৫৩ চনৰ ১৩ ফেব্ৰুৱাৰীত গঠিত 'গৌহাটী বিজ্ঞান সমিতি'খন ১৯৫৬ চনত 'অসম বিজ্ঞান সমিতি' হিচাপে নামাকৰণ হয় । পিছলৈ ২০২৩ ইং চনৰ পৰা প্ৰতিষ্ঠা দিৱসটিক 'অসম বিজ্ঞান দিৱস' হিচাপে পালন কৰিবলৈ আৰম্ভ কৰে। আৰম্ভণিতে অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি অৰবিন্দ চৌধুৰী মহোদয়ৰ লগতে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আমিৰ আলী আহমেদ মহোদয়ে । ইয়াৰ পিছতে শাখাৰ সভাপতি অৰবিন্দ চৌধুৰী মহোদয়ে সঞ্চালনা কৰা আৰু সম্পাদক পৱিত্ৰ কৈৱৰ্ত্তই উদ্দেশ্য ব্যাখ্যা কৰা ডি এন ডি আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয় আৰু সভাৰাম জ্ঞানজ্যোতি জাতীয় বিদ্যালয়, বাঁহজানীৰ প্ৰায় দুশ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনা সত্ৰত 'জলবায়ু পৰিৱৰ্তন ৰোধক অভিযানৰ স্থবিৰতা দূৰ কৰোঁ আহক' শীৰ্ষক মূল বিষয়বস্তুৰ স্থবিৰতা দূৰীকৰণৰ হেতুকে বক্তব্য ৰাখে সমিতিৰ আজীৱন সদস্য ক্ৰমে জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ অৱসৰী উপাধ্যক্ষা ড° বিজয়া ডেকা, বকো ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন চন্দ্ৰ কলিতা, ডি এন ডি আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক গৌৰাংগ চৌধুৰী, বিদ্যালয়খনৰ বৰ্তমানৰ বিজ্ঞান শিক্ষক লক্ষ্যধৰ চৌধুৰী, সম্পাদক পৱিত্ৰ কৈৱৰ্ত্তই। বিদ্যালয়খনৰ ছাত্ৰ যুৱক কলিতাই নিজৰ বিজ্ঞান মানসিকতা সম্পৰ্কে নিজৰ মনৰ কথা ব্যক্ত কৰে। আলোচনা সত্ৰৰ মাজে মাজে সোধা বিজ্ঞান বিষয়ক বিভিন্ন প্ৰশ্নৰ উত্তৰ তথা ব্যাখ্যা দুয়োখন বিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভাৰ উমান দিয়ে। উক্ত অনুষ্ঠানতে বিদ্যালয়খনৰ পুথিভঁৰাললৈ বকো সাহিত্য সভাৰো প্ৰাক্তন সভাপতি ড° বিজয়া ডেকাই এটি কিতাপৰ টোপোলা আদৰণী ভাষণ আগবঢ়োৱা বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আমিৰ আলী আহমেদৰ হাতত অৰ্পন কৰে। যোগেশ্বৰ কাকতিৰ লগতে অনুষ্ঠানটিত উপস্থিত থাকি সুচাৰুৰূপে পৰিচালনা কৰাত সহযোগিতা আগবঢ়ায় বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীবৃন্দ ক্ৰমে কমল চন্দ্ৰ কলিতা, বিষ্ণু কলিতা, ধীৰাজ নাথ , ৰাহুল সাহা, অসীম শৰ্মা, জয়নাল আবেদিন, নৰেন ঠাকুৰীয়া, পৰমানন্দ দাস, হৰেন চন্দ্ৰ দাস ,বিমল কাকতি,ধৰ্মকান্ত কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক ভোগীৰাম কুমাৰ , জাতীয় বিদ্যালয়খনৰ প্ৰধান শিক্ষক পিংকু কলিতা আদি ব্যক্তি

# ডিমৌ শাখা

আজি ইং ১৩ ফেব্ৰুৱাৰী, ২০২৫ বৰ্ষ বৃহস্পতি বাৰে ' অসম বিজ্ঞান সমিতি'ৰ প্ৰতিষ্ঠা দিৱস টি শিৱসাগৰ জিলাৰ ডিমৌ শাখা সমিতিৰ উদ্যোগত ১২০ নং দিহাজান কুছিয়ামাৰী প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সমিতিৰ পতাকা উত্তোলন কৰি শাখাৰ সভাপতি অৰূপ কুমাৰ দত্তই সমবেত ৰাইজৰ প্ৰতি বিজ্ঞান সমিতিৰ ইতিহাস দাঙি ধৰি ভাষণ প্ৰদান কৰে। ইয়াৰ পাছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিজ্ঞান বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে অনন্যা গগৈ। পৰৱৰ্তী কাৰ্য্যসূচী, ' মুকলি সভাত ' সভাপতিত্ব কৰে অৰূপ কুমাৰ দত্তই। সম্পাদক মহেন্দ্ৰ কুৰ্মীয়ে আঁত ধৰা সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে ২০২৫ বৰ্ষৰ মূল বিষয়-" জলবায়ু পৰিৱৰ্তন ৰোধক, অভিযানৰ স্থবিৰতা দূৰ কৰোঁ আহক "ৰ ওপৰত ভাষণ প্ৰদান কৰে শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰাক্তন সভাপতি, ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ঘনকান্ত গগৈয়ে। উক্ত মুকলি সভাতে প্ৰতিযোগিতাত স্থান প্ৰাপ্ত সকলক পুৰস্কাৰ প্ৰদান কৰা হয়। শেষত সকলোকে শলাগৰ শৰাই আগবঢ়াই যুটীয়া সম্পাদক মৃণাল ৰঞ্জন গগৈয়ে। আজিৰ অনুষ্ঠানত শাখাৰ প্ৰাক্তন বিষয়ববীয়া সকলৰ লগতে বৰ্তমানৰ বিষয়ববীয়া, সদস্য-সদস্যা, বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা সমূহ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় সংবাদসেৱী সকল উপস্থিত থাকে





















অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাই এইবেলি অসম বিজ্ঞান দিৱস আউনীআটী বিশ্ববিদ্যালয়ৰ শ্ৰী শ্ৰী হেমচন্দ্ৰ দেৱ গোস্বামী সংহত চৌহদ, উত্তৰ গুৱাহাটীত পালন কৰে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলক ১৯৫৩ চনৰপৰা আজি পৰ্য্যন্ত অসম বিজ্ঞান সমিতিয়ে লাভ কৰা অগ্ৰগতিৰ কথা উল্লেখ কৰি তেখেত সকলক সদস্য সদস্যা হবলৈ প্ৰেৰণা যোগায় আৰু সমিতিৰ বিভিন্ন কাৰ্যসূচীত অংশ লবলৈ অনুৰোধ কৰে । জলবায়ু পৰিবৰ্তন অভিযানৰ স্থবিৰতা দূৰ কৰাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিজন ব্যক্তিৰ অৰিহনাৰ কথা আলোচনা কৰি প্ৰতিজনৰে দায়বদ্ধতাৰ কথা স্বীকাৰ কৰা হয়। লগতে উত্তৰ গুৱাহাটী শাখাই অঞ্চলটোত বিজ্ঞান মনস্কতা বৃদ্ধিৰ বাবে বিদ্যালয় মহাবিদ্যালয় আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সহযোগত ছাত্ৰ ছাত্ৰী তথা সমাজৰ সকলো শ্ৰেণীৰ লোক সকলৰ মাজত বিজ্ঞান মানসিকতা, অন্ধবিশ্বাস দূৰীকৰণ, গৱেষণাৰ প্ৰতি আকৰ্ষণ আদিৰ উদ্দেশ্যৰে বিভিন্ন অনুষ্ঠান পাতি সমাদৰ আৰু পুৰস্কাৰ লাভ কৰি অহাৰ কথা ব্যক্ত কৰা হয়





# অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাই ডুমডুমা নাট্য মন্দিৰ প্ৰাংগনত ১৩ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে প্ৰতিষ্ঠা দিৱস উদযাপন কৰে



The Sentinel

*of this land, for its people*

## Assam Science Society's foundation day observed at Doomdooma

A CORRESPONDENT

**DOOMDOOMA, Feb 14:** Assam Science Society, Doomdooma Branch, celebrated its foundation day on February 13 at the Doomdooma Natya Mandir. This year's theme is 'Let's stop the stagnation of the climate change campaign'.

The meeting was presid-

the world in the COP (Conference of Parties) 26 in Glasgow, Scotland in 2021 in order to keep the global warming in balance. It is also imperative on us to leave a habitable world for future generations, he said.

Taking part in the discussion, Assistant Secretary Runumoni Dutta Bhuyan emphasized on adopting sus-

former President of Tinsukia Zila Xahitya Xabha. He laid emphasis on the development of scientific temper among the school children.

In his presidential remark, President Jhikananda Borgohain expressed concern on the current outbreak of monkey menace and man-elephant conflict and expressed the view that human



## অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উদযাপন

ডুমডুমা ঃ নিজা বাতৰি দিওঁতা, ১৪ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখায়ো ১৩ ফেব্ৰুৱাৰী দিনটো প্ৰতিষ্ঠা দিৱস ৰূপে স্থানীয় নাট্য মন্দিৰত উদযাপন কৰে। অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাৰ প্ৰতিষ্ঠা লগ্নৰেপৰা জড়িত আজীৱন সভ্য, জনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাৰ কাৰ্যকৰী সভাপতি ঝিকানন্দ বৰগোহাঞিৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক ধীৰেন ডেকাই। তেওঁ 'জলবায়ু পৰিৱৰ্তন ৰোধক অভিযানৰ স্থবিৰতা ৰোধ কৰোঁ আহক' শীৰ্ষক বিষয়ত জলবায়ু পৰিৱৰ্তনৰ সংকট তথা ২০২১ চনত স্কটলেণ্ডৰ গ্লাছগ' চহৰত অনুষ্ঠিত ক'প (কনফাৰেন্স অব্ পাৰ্টিৰ) - ২৬ ৰ আন্তৰ্জাতিক সন্মিলনত ১৯৭খন ৰাষ্ট্ৰই স্বাক্ষৰ কৰা গ্লাছগ' জলবায়ু চুক্তিৰ ব্যৱস্থাৱলী অনুযায়ী সেউজ গৃহ গেছ নিৰ্গমনৰ মাত্ৰা হ্ৰাস কৰণৰদ্বাৰা গোলকীয় উত্তাপৰ সমতা বজাই ৰখা তথা ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন বাসোপযোগী পৃথিৱীৰ ব্যৱস্থা গ্ৰহণৰ বিষয়ে কয়। আলোচনাত বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ সহকাৰী সম্পাদিকা ৰুণুমণি দত্ত ভূঞাই বহনক্ষম জীৱন শৈলী অৱলম্বন তথা স্থানীয়ভাৱে গোলকীয় উষ্ণতা বৃদ্ধিৰ হ্ৰাসকৰণৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বৈকুণ্ঠ ভূঞাই সম্প্ৰতি দেখা দিয়া অৰুণাভূমিৰ ধ্বংসে যজ্ঞ তথা পৃথিৱীৰ ভূভাগৰ গঠনৰ পৰিৱৰ্তনৰ বিষয়ে ভৌগোলিক দৃষ্টিকোণৰপৰা ব্যাখ্যা আগবঢ়ায়। সভাত শাখাৰ আজীৱন সভ্য তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱায়ো অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক মানসিকতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাপতি ঝিকানন্দ বৰগোহাঞিয়ে সম্প্ৰতি দেখা দিয়া বান্দৰৰ উৎপাত তথা হাতী-মানুহৰ সংঘাতৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰাৰ লগতে বিজ্ঞান আৰু বিজ্ঞানীৰ নিৰলস সাধনাৰ দ্বাৰা মানৱ সমাজ যে সভ্যতা গঢ়াৰ দিশত আগুৱাই যাব পাৰিছে, সেই বিষয়ে অভিমত ব্যক্ত কৰে। সভাতে অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনত অসম সাহিত্য সভাৰ বিশেষ শাখাৰ বঁটা লাভ কৰাৰ বাবে ডুমডুমা শাখা সাহিত্য সভাৰ তদানীন্তন সম্পাদক তথা বৰ্তমানৰ সভাপতি দেবেন ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সাধাৰণ সম্পাদক ধীৰেন ডেকাই শলাগৰ শৰাই আগবঢ়ায়।



প্ৰতিদিনৰ অসম

অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখা

## অধিৱেশন সম্পন্ন ঃ নতুন সমিতি গঠন

পি এম শ্ৰী মাছখোৱা উচ্চতৰ মাধ্যমিক বিদ্যাল

১৯৭৩ চনৰ মেট্ৰিক উত্তীৰ্ণ শিক্ষাৰ্থী

নিয়মীয়া বাৰ্তা

## তাতীবাহাৰ মজলীয়া বিদ্যালয়ত অসম বিজ্ঞান দিৱস

নিয়মীয়া বাৰ্তা, ভোগপুৰ, ১৩ ফেব্ৰুৱাৰী ঃ ১৯৫৩ চনৰ ১৩ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা অসম বিজ্ঞান সমিতিৰ গৌৰৱময় প্ৰতিষ্ঠা দিৱসটি প্ৰতিবছৰে অসম বিজ্ঞান দিৱস হিচাপে উদ্‌যাপন কৰে বিজ্ঞান সমিতিয়ে। অসম বিজ্ঞান সমিতিৰ দ্বাৰা শ্ৰেষ্ঠ শাখা হিচাপে স্বীকৃতিপ্ৰাপ্ত নাৰায়ণপুৰৰ পিছলা শাখা বিজ্ঞান সমিতি আৰু পিছলা মহিলা বিজ্ঞান কোষৰ যুটীয়া উদ্যোগত ...

তাতীবাহাৰ মজলীয়া বি...

## ডিমৌত অসম বি... সমিতিৰ প্ৰতিষ্ঠা দিৱস

প্ৰতিদিন সেৱা, ডিমৌ, ১৩ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসটো আজি ডিমৌ শাখাই ডিমৌৰ ১২০ নং দিহাজান কুছিয়ামাৰী প্ৰাথমিক বিদ্যালয়ত উদ্‌যাপন কৰে। এই উপলক্ষে পুৱা অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে ডিমৌ শাখাৰ সভাপতি অৰূপ কুমাৰ দত্তই। ইয়াৰ পিচতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিবেশ প্ৰদূষণ বিষয়ত অনুষ্ঠিত কৰা চিত্ৰাংকণ প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰে বিজ্ঞান সমিতি ডিমৌ শাখাৰ বিজ্ঞানকৰ্মী অনন্যা গগৈয়ে। দুপৰীয়া ... শাখাৰ সভাপতি অৰূপ কুমাৰ দত্তৰ সভাপতি...

সভাত মুখ্য ব... শাখাৰ প্ৰতিষ্ঠা... মাধ্যমিক বিদ্যা... গগৈয়ে 'জলব... স্থবিৰতা দূৰ ক... ছাত্ৰীসকলৰ উ... বিজ্ঞান সমিতিৰ ডিমৌ শাখাৰ কৰ্মকৰ্তা

দৈনন্দিন বাৰ্তা — জাতি, মাটি আৰু দেশৰ সেৱাত

১৮ ফেব্ৰুৱাৰী, ২০২৫ ■ মঙলবাৰ ■ ৫ ফাগুন

## বকোৰ ডেউচৰত অসম বিজ্ঞান সমিতিৰ বিজ্ঞান দিৱস উদ্‌যাপন



## ডিগবৈ জাতীয় বিদ্যাল...

'আমাৰ অসম'ৰ ডিগবৈৰ প্ৰতিবেদক, ১৪ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান সমিতি, ডিগবৈ শাখাৰ উদ্যোগত আৰু ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ আভ্যন্তৰীণ মান নিশ্চিত... বিদ্যালয়, ডিগবৈৰ সহযো... কৰা হয়। জাতীয় বি... আয়োজিত অনুষ্ঠানত ... অভিযানৰ স্থবিৰতা দূৰ ক... আলোচনা আগবঢ়ায় ...

অসম বিজ্ঞান সমিতি...

## অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস

কৌৱৰপুৰ ঃ এজন সাংবাদদাতা, ১৪ ফেব্ৰু... গৌৰীসাগৰ-দিখৌমুখ শাখাৰ উদ্যোগত ... খনাখোকোৱা উচ্চ মাধ্যমিক বিদ্যালয়ত অ... দিৱস আৰু অসম বিজ্ঞান দিৱস পালন কৰ... শিক্ষক দুলুমণি বৰাই আঁত ধৰা অনুষ্ঠানৰ ... প্ৰশান্ত কুমাৰ নেওগে শাখাৰ পতাকা উত্তো... ব্যাখ্যা কৰাৰ লগতে শাখাটোৰ প্ৰতি সকলো... এইবাৰৰ বিজ্ঞান দিৱসৰ মূল বিষয় জলবা... কৰণীয়খিনিক লৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল... আগবঢ়ায় তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ ... বিদ্যালয়ৰ প্ৰধান শিক্ষক হীৰেন কুমাৰ নেওগৰ... ড° নৱজ্যোতি বড়াই অনুষ্ঠানত অসম বিজ্ঞ... দিখৌমুখ শাখাই জন্মলগ্নৰে পৰা সম্পাদন ক... দাঙি ধৰি সকলোকে এই ধৰণৰ কাৰ্যসূচীসমূহ... জনায়। অনুষ্ঠানত তেওঁ অসম বিজ্ঞান সমি... অধিৱেশনৰ লগত সংগতি ৰাখি সমিতিৰ গৌৰীস... ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতা...

আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

ADV... Da...

Applications from intending eligib... as defined under...

## নগৰবেৰাত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস পালন





কাকত, আলোপতি, ১৪ ফেব্ৰুৱাৰী ঃ ... জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত শাকবৰৰ ... নিকেতন, নগৰবেৰাত কালি অৰ্থাৎ ... ফেব্ৰুৱাৰীত অসম বিজ্ঞান সমিতিৰ ৭৩ ... প্ৰতিষ্ঠা দিৱসটি অসম বিজ্ঞান দিৱস হিচাপে ... হয়। অসম বিজ্ঞান সমিতিৰ নগৰবেৰা ...

'জলবায়ু পৰিবৰ্তন ৰোধক অভিযান স্থবিৰতা দূৰ কৰো আহক' শীৰ্ষ বিষয় সন্দৰ্ভত এক আলোচনা চক্ৰ ও মুকলি সভা অনুষ্ঠিত হয়। ...

অসম বিজ্ঞান সমিতি
বিহপুৰীয়া শাখাৰ অধিৱেশন সম্পন্ন

পৰ্বতঝোৰাৰ ছাতাগুৰি ... ৰঙিয়াত কেলেগু...
...মন্দিৰত কালী পূজাত ভক্তৰ ভিৰ

নগাঁৱৰ সুতাৰগাঁৱত অংগনবাড়ী কেন্দ্ৰ মু...

## উত্তৰ গুৱাহাটীত অসম বিজ্ঞান দিৱস

মহানগৰ বাতৰি সেৱা

গুৱাহাটী, ১৫ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান সমিতিৰ উত্তৰ গুৱাহাটী শাখাৰ উদ্যোগত ১৩ ফেব্ৰুৱাৰীত অসম বিজ্ঞান দিৱস পালন কৰা হয়। আউনীআটী বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ ...

চনৰপৰা অসম বিজ্ঞান সমিতিয়ে লাভ কৰা অগ্ৰগতিৰ কথা উল্লেখ কৰি তেওঁলোকক সদস্য হোৱাৰ লগতে সমিতিৰ বিভিন্ন কাৰ্যসূচীত অংশ ল'বলৈ অনুৰোধ জনায়। লগতে উত্তৰ গুৱাহাটী ...



## শুৱালকুছিৰ ঐতিহাসিক শ্ৰীশ্ৰীহ... মন্দিৰত মাঘী পূৰ্ণিমাৰ সভাৰ স...

## গড়গাঁও মহাবিদ্যালয়ত ... ক্ৰীড়া, সাহিত্য-সাংস্কৃতিক ...


সাংস্কৃতিক শোভাযাত্ৰাৰে উজলিল বাৰেৰহনীয়া...

দৈনন্দিন বাৰ্তা — জাতি, মাটি আৰু দেশৰ সেৱাত

২ বিচিত্ৰ বাৰ্তা — ১৬ ফেব্ৰুৱাৰী, ২০২৫ ■ দেওবাৰ ■ ৩ ফা...

## মহাকাশ গৱেষণা সংস্থা 'ইছৰো'ত বিজ্ঞানী- চিৰ স্বীকৃতি লাভ কৰা বকোৰ অংশুমান কলিতাক আদৰণি অসম বিজ্ঞান সমিতিৰ বকো শাখাৰ





# Conference

# শাখাৰ অধিবেশন

শাখাৰ অধিবেশন

# Bihpuria Branch

## Conference










প্ৰতিদিনৰ অসম

অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখা

**অধিৱেশন সম্পন্ন ঃ নতুন সমিতি গঠন**

প্ৰতিদিন সেৱা, বিহপুৰীয়া, ১৬ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন আজি দিনজোৰা কাৰ্যসূচীৰে বিহপুৰীয়াৰ সমীপৰ সন্তপুৰ চিচাপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাৰ উদ্যোগত সন্তপুৰ চিচাপথাৰ হাইস্কুলৰ সহযোগত অনুষ্ঠিত অধিৱেশনৰ লগত সংগতি ৰাখি পুৱা পৰিবেশ

প্ৰধান শিক্ষক দেৱকুমাৰ মহন্তই দুবছৰীয়া কাৰ্যকালৰ আয়-ব্যয়ৰ খতিয়ান দিয়ে। সভাত বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য কুমাৰ হাজৰিকাই সন্মানীয় অতিথি, কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক বিজয় দত্তই বিশিষ্ট অতিথি, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ধীৰেন শইকীয়া আৰু লোহিত ডিক্ৰং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত নেওগে আমন্ত্ৰিত অতিথিৰ ভাষণ দিয়ে।



শ্ৰী সুনীন্দ্ৰ কাকতি

পত্ৰিকা সম্পাদক
শ্ৰী পৱান চন্দ্ৰ ডেকা
পত্ৰিকা সহঃ সম্পাদক
শ্ৰী মৃদু পৱন গগৈ

আহ্বায়িকা মহিলা বিজ্ঞান কোষ
শ্ৰীমতী অৰুনিমা দুৱৰা

কোষাধ্যক্ষ
শ্ৰী যোগেন চন্দ্ৰ বৰা

হিচাপ পৰীক্ষক
শ্ৰী দেৱকুমাৰ মহন্ত
শ্ৰী দিগন্ত নেওগ

সহঃ সম্পাদক
শ্ৰী অমূল্য ফুকন (প্ৰচাৰ)
শ্ৰী কিশোৰ শৰ্মা (সাংগঠন)

২। সভাপতি :- শ্ৰী বিজয় দত্ত।
৩। কাৰ্যকৰী সভাপতি :- শ্ৰী যোগেন চন্দ্ৰ বৰা
৪। উপ-সভাপতি :- শ্ৰী ত্ৰৈলোক্য নন্দন কাকতি
শ্ৰী সুনীন্দ্ৰ কাকতি
শ্ৰী শ্ৰীকান্ত হাজৰিকা
শ্ৰী প্ৰেম চেতিয়া
৫। সম্পাদক :- শ্ৰী মৃদু পৱন গগৈ
৬। পত্ৰিকা সম্পাদক :- শ্ৰী পৱান চন্দ্ৰ ডেকা
৭। সাংস্কৃতিক সম্পাদক :- শ্ৰী কিশোৰ শৰ্মা।
৮। আহ্বায়িকা মহিলা বিজ্ঞান কোষ :- শ্ৰীযুক্তা অৰুনিমা দুৱৰা
৯। কোষাধ্যক্ষ :- শ্ৰী চন্দ্ৰ নাথ নেওগ।
১০। হিচাপ পৰীক্ষক :- শ্ৰী দিগন্ত নেওগ।

# Conference

## Patacharkuchi Branch





পাটাছাৰকুছি শাখাৰ ১৫ সংখ্যক অধিবেশন সম্পন্ন:প্ৰতিষ্ঠাৰ গৌৰৱোজ্জল ২৮ বছৰ পূৰ্ণ কৰা অসম বিজ্ঞান সমিতিৰ পাটাছাৰকুছি শাখাৰ ১৫ সংখ্যক অধিবেশনখন যোৱা ২৩ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে শাখাৰ কাৰ্যালয় প্ৰাংগনত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পতাকা উত্তোলন কৰে শাখাৰ সভাপতি সুৰেন্দ্ৰ নাথ লাউজাৰীয়ে, বন্তি প্ৰজ্বলন কৰে শাখাৰ উপদেষ্টা লক্ষ্মীৰাণী শৰ্মাই, গছপুলি ৰোপন কৰে শাখাৰ উপদেষ্টা খনীন্দ্ৰ নাথ তালুকদাৰ, শাখাৰ কাৰ্যকৰী সভাপতি তপন কুমাৰ শৰ্মা আৰু পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিনন্দ নাথ শীলে। ইয়াৰ পিছতে শাখাৰ সভাপতি সুৰেন্দ্ৰ নাথ লাউজাৰীৰ সভাপতিত্বত স্মৃতিগ্ৰন্থ "বিজ্ঞান বৰ্ণালী" উন্মোচন আৰু মুকলি সভা অনুষ্ঠিত হয়। শাখাৰ অধিবেশনৰ লগত সংগতি ৰাখি মৃন্ময় শৰ্মা আৰু আমিনুল হকৰ সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ "বিজ্ঞান বৰ্ণালী" খন আনুষ্ঠানিকভাৱে উন্মোচন কৰে পূৱ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° বলেন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে। সভাত অসম লোক সেৱা আয়োগৰ অৱসৰী অধ্যক্ষ ভাৰত ভূষণ দেৱ চৌধুৰীয়েও ভাষণ ৰাখে। সভাত শাখাৰ তৰফৰ পৰা শাখাৰ প্ৰতিষ্ঠাপক সভাপতি হৰিহৰ শৰ্মাক গামোচা, শৰাই আৰু মানপত্ৰৰে বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। সভাখনত নিতুল শৰ্মাই আদৰণি অনুষ্ঠান, শাখাৰ সম্পাদক মৃন্ময় শৰ্মাই উদ্দেশ্য বাখ্যা, ডঃ অনুপ কুমাৰ শৰ্মাই বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠান, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক আমিনুল হকে সম্পাদনা সমিতিৰ হকে দু আখাৰ, শাখাৰ সম্পাদক দ্বিজেন্দ্ৰ কুমাৰ দাসে নতুন আজীৱন সদস্যক প্ৰমানপত্ৰ বিতৰণ

বিতৰণ অনুষ্ঠান আৰু গৌতম গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পিছতে শাখাৰ সভাপতি সুৰেন্দ্ৰ নাথ লাউজাৰীৰ সভাপতিত্বত সাধাৰণ তথা বিষয় বাছনি সভাত সম্পাদক দ্বিজেন্দ্ৰ কুমাৰ দাসে পাঠ কৰা সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ পৰীক্ষক গৌতম গোস্বামীয়ে পাঠ কৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দুখন গৃহীত হোৱাৰ লগতে আগন্তুক দ্বি-বৰ্ষৰ বাবে সুৰেন্দ্ৰ নাথ লাউজাৰীক সভাপতি, তপন কুমাৰ শৰ্মাক কাৰ্যকৰী সভাপতি, ডঃ অনুপ কুমাৰ শৰ্মা আৰু গীতিকা অধিকাৰীক উপ সভাপতি, দ্বিজেন্দ্ৰ কুমাৰ দাস আৰু মৃন্ময় শৰ্মাক সম্পাদক, উৎপল গোস্বামী আৰু দ্বীপেন দাসক সহ: সম্পাদক, আমিনুল হক,নিতুল শৰ্মা, বীণাপাণি মেধি কলিতা, শৈলেন্দ্ৰ মিশ্ৰ, খনীন্দ্ৰ গোস্বামী, ৰাজীৱ কুমাৰ শৰ্মা, জাহান আলি, টিকেন্দ্ৰ নাথ কলিতা আৰু শিৰন কলিতা দাসক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ শাখাৰ এখন নতুন সমিতি গঠন কৰা হয়। সমিতিখনত গৌতম গোস্বামী আৰু সুকুমাৰ গোস্বামীক হিচাপ পৰীক্ষক, হৰিহৰ শৰ্মা, খনীন্দ্ৰ নাথ তালুকদাৰ আৰু লক্ষ্মীৰাণী শৰ্মাক উপদেষ্টা হিচাপে লোৱা হয়







# ঢকুৱাখনা শাখাৰ মহিলা কোষ




বিজ্ঞান আৰু পৰিৱেশ বিষয়ক সভাৰ প্ৰতিবেদন আজি ইংৰাজী 22/02/2025 তাৰিখ শনিবাৰে দিনৰ 12 বজাৰ পৰা জামুগুৰি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ মহিলা কোষৰ সম্পাদিকা স্বৰ্ণলতা গগৈ চমুৱাই আঁতধৰা সভাখনত সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ মহিলা কোষৰ সভানেত্ৰী পদ্মা বড়াই । আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱ বৰাই। বিজ্ঞান আৰু পৰিৱেশ বিষয়ক জনপ্ৰিয় বক্তৃতা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত আছিল অসম চৰকাৰৰ পৰিৱেশমিত্ৰ সন্মানেৰে সন্মানিত দেৱজিৎ ফুকন আৰু অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈ । ৰাজহুৱা একাষাৰত বক্তব্য আগবঢ়াই অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ সভাপতি দিগেন্দ্ৰ নাথ হাজৰিকা, অসম বিজ্ঞান সমিতিৰ মহিলা কোষৰ আহ্বায়িকা সান্তন বৰুৱাই । শেষত সভাপতি মহোদয়াৰ বক্তব্যৰে সভা ভংগৰ ঘোষণা কৰে







# বিজ্ঞান জেউতি পঢ়োঁ আহা

## Dhakuakhana Branch



**অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ**

গুৱাহাটী, ৬ মাৰ্চ, ২০২৫


অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য, জাজৰি শাখাৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ তথা সমাজকৰ্মী শ্ৰী লম্বোদৰ শইকীয়াৰ যোৱা ৩ মাৰ্চ, ২০২৫ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে শ্ৰী শইকীয়াৰ বিয়োগত সমিতিৰ তথা জাজৰি অঞ্চলৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সমাজকৰ্মী তথা শিক্ষাবিদ হিচাপে শ্ৰী শইকীয়াই আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ডঃ ধীৰেশ্বৰ কলিতা)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি


National
Science
Day


NATIONAL SCIENCE DAY CELEBRATION, 2025
OBSERVATION OF NATIONAL SCIENCE DAY
Organised by
Assam Science Society, Demow Branch
in
Collaboration with IQAC, Demow College
THEME : "EMPOWERING INDIAN YOUTH FOR GLOBAL LEADERSHIP IN SCIENCE & INNOVATION FOR VIKSIT BHARAT"
Speaker : Dr. Probal Jyoti Phukan.
Associate Professor, Department of Physics
Dibrugarh University.
Date : 28-02-2025
Venue : Conference Hall, Demow College
আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ বজালী জিলা আৰু
অসম বিজ্ঞান সমিতি, পাটাছাৰকুছি শাখাৰ উদ্যোগত
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস, ২০২৫ উদ্‌যাপন
তাৰিখ ঃ ২৮ ফেব্ৰুৱাৰী, ২০২৫ ইং (শুক্ৰবাৰ)
স্থান ঃ বাণী বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰবৰী
BARBHAG COLLEGE
SCIENCE FORUM
P.O. : Kalag : Nalbari
NATIONAL SCIENCE DAY, 28th FEBRUARY, 2025
Organised by
Science Forum (Barbhag College) & Assam Science Society (Barbhag Branch)
Theme : "Empowering Indian youth for Global Leadership in Science and innovation for a Developed India"
Chief Speaker : Dr. Abani kumar Bhagabati
Venue : Conference Hall, Barbhag College
Time : 11.30 AM
Indian Youth for Global Leadership in Science and Innovation for VIKSIT Bharat
আয়োজক ঃ অসম বিজ্ঞান সমিতি, বজালী শাখা
দিনাংক ঃ ২৮ ফেব্ৰুৱাৰী, ২০২৫ খ্ৰীঃ
অসম বিজ্ঞান সমিতি, লক্ষীপুৰ শাখাৰ উদ্যোগত
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস
অসম বিজ্ঞান সমিতি, মাজুলী শাখাৰ উদ্যোগত
আৰু
হামিং বাৰ্ড স্কুলৰ সহযোগত
বিজ্ঞান দিৱস - ২০২৫
বক্তৃতানুষ্ঠান
অসম বিজ্ঞান সমিতি, দেৰগাঁও শাখা
দেৰগাঁও বালিকা উচ্চ বুনিয়াদী বিদ্যালয়ৰ সহযোগত
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন
মূল বিষয় ঃ বিকশিত ভাৰতৰ বাবে বিজ্ঞান আৰু উদ্ভাৱনত বিশ্ব-নেতৃত্ব দিবলৈ ভাৰতৰ যুৱ সমাজ সবলীকৰণ
দিনাংক ঃ ২৮ ফেব্ৰুৱাৰী, ২০২৫ খ্ৰীষ্টাব্দ
NATIONAL SCIENCE DAY- 2025
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস- ২০২৫
অসম বিজ্ঞান সমিতি, ধেমাজি শাখা
NATIONAL SCIENCE DAY, 2025
Theme: "Empowering Indian Youth for Global Leadership in Science and Innovation for ViksitBharat"
Jointly Organized by-
Science Forum and Eco Club
B.P. Chaliha College, Nagarbera, Kamrup
In Collaboration with
Assam Science Society, Nagarbera Branch
Venue : Sankardev High School, Kalubari
Date : 28-02-2025
On the Occasion of
National Science Day 2025
TINSUKIA DISTRICT LEVEL
STUDENT SEMINAR
Organised
Assam Science Society, Digboi Branch in association with IQAC, Digboi College (Autonomous), Ellora Vigyan Mancha, Digboi and Assam Oil Division Retired Employees Welfare Association
28 FEBRUARY, 2025
THEME
Empowering Indian Youth for Global Leadership in Science and Innovation for VIKSIT BHARAT
ASSAM SCIENCE SOCIETY
IQAC, BARNAGAR COLLEGE
বিজ্ঞান বৰ্ণালী" উন্মোচন
আৰু মুকলি সভা
ফেব্ৰুৱাৰী, ২০২৫ ইং (ৰবিবাৰ)
বিজ্ঞান দিৱস
স্থান ঃ মৰিগাঁও অভ্যসন প্ৰাথমিক বিদ্যালয়
তাৰিখ ঃ ২৮/০২/২০২৫
NATIONAL SCIENCE DAY 2025 CELEBRATION
Popular Talk
Resource Person : Dr. Rabindra Hazarika
& Extempore Speech Competition
Organized by:
Assam Science Society, Tezpur Branch
In Collaboration with
IIC, IQAC, Department of Chemistry & Department of Zoology
Darrang College, Tezpur
বিজ্ঞান আৰু পৰিৱেশ বিষয়ক সভা
সময় ঃ ১১.৩০ বজা
তাৰিখ ঃ ২২ ফেব্ৰুৱাৰী, ২০২৫
স্থান ঃ জামুগুৰি চাৰিআলি উচ্চ মাধ্যমিক
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন
আয়োজক ঃ অসম বিজ্ঞান সমিতি, চকুৰাখনা শাখা
স্থান ঃ মেগামিক্স প্ৰকৃতি সংঘ, চকুৰাখনা
দিনাংক ঃ ২৮ ফেব্ৰুৱাৰী ২০২৫
অসম বিজ্ঞান সমিতি
ASSAM SCIENCE SOCITY
National Science Day 2025
Empowering Indian Youth for Global Leadership in Science & Innovation for Viksit Bharat
Young Science Conclave
Key Note Speakers
Valedictory Function & Science Day Lecture
অসম বিজ্ঞান সমিতি
বিহপুৰীয়া শাখা
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস
বিষয়: বিকশিত ভাৰতৰ কাৰণে বিজ্ঞান আৰু উদ্ভাৱন ক্ষেত্ৰত বিশ্ব নেতৃত্বৰ বাবে যুৱসমাজৰ সবলীকৰণ
স্থান: মিলনজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়
২৮ ফেব্ৰুৱাৰী, ২০২৫
ডিব্ৰুগড় শাখাৰ উদ্যোগত
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন
তাৰিখ ঃ ২৮ ফেব্ৰুৱাৰী, ২০২৫
স্থান ঃ অংগনবাদী জালান চাউথ স্কুল, ডিব্ৰুগড়
সময় ঃ বিয়লি ৩ বজা

# অসম বিজ্ঞান সমিতি
## বিহপুৰীয়া শাখা

## ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

বিষয়: বিকশিত ভাৰতৰ কাৰণে বিজ্ঞান আৰু উদ্ভাৱন ক্ষেত্ৰত বিশ্ব নেতৃত্বৰ বাবে যুৱসমাজৰ সবলীকৰণ

**স্হান: মিলনজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়**

২৮ ফেব্ৰুৱাৰী, ২০২৫









# অসম বিজ্ঞান সমিতিৰ বৰভাগ শাখাই আয়োজন কৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী ডঃ অৱনী কুমাৰ ভাগৱতী দেৱ















OBSERVATION OF NATIONAL S
Organised by
Assam Science Society, Demow
in
Collaboration with IQAC, Demow
THEME : "EMPOWERING INDIAN YOUTH FOR
IN SCIENCE & INNOVATION FOR VIK
Speaker : Dr. Probal Jyoti Phu
Dibrugarh University
Date : 28-02-2025
Venue : Conference Hall, Demow


OBSERVATION OF NATIONAL SCIENCE DA
Assam Science Society, Demow Branch
Collaboration with IQAC, Demow College
Dr. Probal Jyoti Phuk

# Assam Science Society. Sibsagar Branch















# গৌৰীসাগৰ-দিখৌমুখ

অসম বিজ্ঞান সমিতি গৌৰীসাগৰ-দিখৌমুখ শাখাৰ উদ্যোগত আৰু দিখৌমুখ মহাবিদ্যালয়ৰ সহযোগত আজি দিনযোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়।গৌৰীসাগৰ ছিঃ ছেঃ স্কুলৰ শিক্ষয়িত্ৰী তথা অসম বিজ্ঞান সমিতি,গৌৰীসাগৰ-দিখৌমুখ শাখাৰ সহঃ সম্পাদিকা পল্লৱী বড়াই আঁত ধৰা সভাখনিত সভাপতিত্ব কৰে শাখাৰ সভাপতি প্ৰশান্ত কুমাৰ নেওঁগে।বন্তি প্ৰজ্বলনৰ পাছতে সভাখনিৰ উদ্দেশ্য বাখ্যা কৰে শাখাৰ সম্পাদক ড° নৰজ্যোতি বড়াই।দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিৎ কুমাৰ বৰুৱাই উদ্বোধন কৰা সভাখনিত মূখ্য বক্তা হিচাপে উপস্থিত থাকে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ অণুবিদ্যুৎ বিভাগৰ সহকাৰী অধ্যাপক ড° কৃষ্ণ দত্ত আৰু যুৱ বক্তা হিচাপে ভাষণ প্ৰদান কৰে দুৰ্লভ চন্দ্ৰ গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী শান্তিপ্ৰিয়া গগৈয়ে।দিখৌমুখ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰূপজ্যোতি বৰুৱা বাইদেউ,SIPRD ৰ District Resource person মানস গগৈ,সংবাদকৰ্মী নৰজ্যোতি ওজা,পংকজলোচন খনিকৰ,মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল,অসম বিজ্ঞান সমিতি গৌৰীসাগৰ- দিখৌমুখ শাখাৰ উপসভানেত্ৰী তথা শিক্ষয়িত্ৰী তৃপ্তি বড়া, সমৰ নাৰায়ণ বড়া, সন্মানীয় সদস্য সকল,মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ উপস্থিতিয়ে সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে।কাৰ্যসূচী সামৰণি মৰা হয়











# Patacharkuchi Branch












# National Science Day Celebration organised by Simla Branch ASS at Koklabari Girls' High School, Simla, Baksa.

















অসম বিজ্ঞান সমিতিৰ শাখা ডিব্ৰুগড় বিজ্ঞান সমিতিৰ উদ্যোগত ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। সভাত ড০ দিপশীখা মৰাণে - খাদ্যভাস পৰিস্কাৰ- পৰিচ্ছনতা, সুদৰ্শীনা দাসে- বতৰৰ ফলৰ উপকাৰীতা, চুলতানা হাজৰিকাই - ঘৰতে উৎপাদিত শাক- পাচলিৰ উপকাৰীতা ,ড০ ভাৰতী দত্ত ই অন্ধবিশ্বাসৰ ওপৰত বক্তব্য আগবঢ়ায়।নাছিৰ চুলতানে সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে ডিব্ৰুগড় বিজ্ঞান সমিতিয়ে কিয় ভিতৰুৱা অঞ্চলত আৰু বাগিচাৰ অধুক্ষিত অঞ্চলত সভা সমূহ অনুষ্ঠিত কৰা হয় তাৰ ব্যাখ্যা আগবঢ়াই। সভাত অসম চৰকাৰৰ মাননীয় শক্তি দক্ষতা - বিকাশ, মেডিকেল শিক্ষাৰ মন্ত্ৰী শী প্ৰশান্ত ফুকন ডাঙৰীয়াই উপস্থিত থাকি এক সুন্দৰ বিজ্ঞান ভিত্তিক বক্তব্য আগবঢ়ায়

## ২৮/০২/২০২৫ তাৰিখে পষ্টাৰ প্ৰেছেন্টেচন (Poster presentations) আৰু কুইজেৰেৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰিলে অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখা আৰু চাইন্স ফোৰাম ( Science Forum), উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে যৌথ ভাৱে












# Nagarbera Branch





























বায়ুমণ্ডলৰ
স্তৰ

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন , ২৮ ফেব্ৰুৱাৰী , ২০২৫ আজি ইংৰাজী ২৮ ফেব্ৰুৱাৰী , ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ উদ্যোগত মেগামিক্স প্ৰকৃতি সংঘৰ সভাগৃহত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰে ।অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে আঁতধৰা সভাখনৰ প্ৰথম কাৰ্য্যসূচী আছিল " বিজ্ঞান জেউতি পঢ়োঁ আহাঁ" । এই অনুষ্ঠানত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ কাৰ্যালয়ৰ পুৰণি আৰু নতুন বিজ্ঞান জেউতি উপস্থিত প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ১ ঘণ্টা সময় পঢ়িব দিয়া হয় । ইয়াৰ পিছতেই সভাত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ এই বছৰৰ মূল বিষয় বিকশিত ভাৰতৰ কাৰণে বিজ্ঞান আৰু উদ্ভাৱন ক্ষেত্ৰত বিশ্ব নেতৃত্বৰ বাবে যুৱ সমাজৰ সৱলীকৰণ বিষয়ত বক্তৃতা প্ৰদান কৰে ঘিলামৰা নৰ্থ বেংক মহাবিদ্যালয়ৰ প্ৰাক্তন সহকাৰী অধ্যাপক তথা বৰ্তমান কেন্দ্ৰীয় বিদ্যালয়ৰ শিক্ষক বিশ্বজিৎ বৰাই । ইয়াৰ পিছতে ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লিখন চন্দ্ৰ বুঢ়াগোহাঁই আৰু অসম চৰকাৰৰ পৰিৱেশমিত্ৰ সন্মানেৰে সন্মানিত দেৱজিৎ ফুকনদেৱে বক্তব্য আগবঢ়াই । ঢকুৱাখনা অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ প্ৰায় ১০০ জন ছাত্ৰ ছাত্ৰী আৰু অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ আজীৱন সদস্যৰ উপস্থিতিত সভাখনৰ শলাগৰ শৰাই আগবঢ়াই অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ সভাপতি দিগেন্দ্ৰ নাথ হাজৰিকাই







# Sorbhug Branch


















# গোৰেশ্বৰ শাখা

আজি ২৮ ফেব্ৰুৱাৰী/২৫ তাৰিখে অসম বিজ্ঞান সমিতি গোৰেশ্বৰ শাখা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, গোৰেশ্বৰ খণ্ডৰ উদ্যোগত গোৰেশ্বৰ ছোৱালী উ:মা:বি:ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়।ৰাতিপুৱা পতাকা উত্তোলন কৰে বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ সভাপতি নিৰ্মল দেৱনাথে।গছপুলি ৰোপন কৰে উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক মিন্টুল আলী দেৱে।ছাত্ৰী সকলৰ মাজত কুইজ পৰিচালনা কৰে বিপ্লৱ নাথ আৰু ছায়াৰাম বৰোৱে।১২-৩০বজাত নিৰ্মল দেৱনাথে সঞ্চালনা কৰা মুল বিষয় “বিকশিত ভাৰতৰ কাৰণে বিজ্ঞান আৰু উদ্ভাৱন ক্ষেত্ৰত বিশ্ব নেতৃত্বৰ বাবে যুৱ সমাজৰ সৱলীকৰণ”।আলোচনা চক্ৰ উদ্বোধন কৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সভাপতি তথা গোৰেশ্বৰ উ:মা:বি:ৰ অধ্যক্ষ বিশ্বজিৎ ডেকাই।গোৰেশ্বৰ শাখাৰ সম্পাদক মকুন্দ কাকতিয়ে আতঁ ধৰা সভাসনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি নাওকাটা মিলন ছোৱালী হাইস্কুলৰ বিজ্ঞান শিক্ষক বিজয় দাহাল দেৱে বিষয়বস্তুৰ ওপৰত সুন্দৰ ভাৱে বক্তব্য দাঙি ধৰে।সভাত জিতেস বিশ্বাসেও ভাষণ দিয়ে।অনুস্থানত মহচিনুল হক আহমেদ,আব্দুল লতিফ চৌধূৰী,কন্দৰ্প দাসৰ লগতে বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকল উপস্থিত থাকে।শেষত সম্পাদক মকুন্দ কাকতিয়ে শলাগৰ শৰাই আগবঢ়োৱাৰ পিচত সভা ভঙ্গ দিয়া হ












# AAU Branch

Assam Science Society-AAU Branch is observing National Science Day 2025 in the AAU Auditorium today with a prize money Inter-Hostel Quiz competition. Total 21 teams participated and 6 qualified for the final round. It's noteworthy that this event is being regularly organized on this day by the branch. Associate Professor Dr Akhil Ranjan Baruah is serving as the quiz master.








# ছিপাঝাৰ শাখা






ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন


ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন




GPS Map Camera

দক্ষিণ বৰপেটা বিদ্যামন্দিৰ হাইস্কুলত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২৫ উদ্‌যাপনবৰপেটা, ২৮ ফেব্ৰুৱাৰীঃ দক্ষিণ বৰপেটা বিদ্যামন্দিৰ হাইস্কুলৰ সহযোগত অসম বিজ্ঞান সমিতি বৰপেটা শাখাই ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২৫ উদযাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতৰ প্ৰখ্যাত বিজ্ঞানী ছাৰ চন্দ্ৰশেখৰ ভেংকটা ৰমনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সেই উদ্দেশ্যে তেওঁৰ প্ৰতিকৃতিত বন্তি প্ৰজ্জ্বলন কৰে দক্ষিণ বৰপেটা বিদ্যামন্দিৰ হাইস্কুলৰ অধ্যক্ষ চাৰু চক্ৰৱৰ্তীয়ে। অসম বিজ্ঞান সমিতি বৰপেটা শাখাৰ কাৰ্যকৰী সভাপতি তথা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী নেপোলিয়ন কুমাৰ দাসে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য সন্দৰ্ভত বক্তব্য আগবঢ়ায়। তেওঁ ৰমন প্ৰভাৱৰ বিষয়ে সহজ ভাষাত ব্যাখ্যা আগবঢ়ায়। অসম বিজ্ঞান সমিতিৰ বৰপেটা শাখাৰ সম্পাদক তথা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° সঞ্জীৱ দেউৰীয়ে এইবাৰৰ বিজ্ঞান দিৱসৰ বিষয়বস্তু “বিকশিত ভাৰতৰ বাবে বিজ্ঞান আৰু উদ্ভাৱনত বিশ্ব-নেতৃত্ব দিবলৈ ভাৰতৰ যুৱসমাজ সৱলীকৰণ” ৰ ওপৰত ভাষণ প্ৰদান কৰে। মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক দল পাঠকে সমাজত বিজ্ঞানৰ বিপৰীতে ধৰ্মীয় আচাৰ-অনুষ্ঠানে অধিক গুৰুত্ব লাভ কৰাত উদ্বেগ প্ৰকাশ কৰি তেওঁৰ চমু ভাষণ আগবঢ়ায়। বিদ্যালয়খনৰ এশৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে








# Celebration of National Science Day .Lakhipur Branch Dist Goalpara










# National Science day celebration at Bhawanipur Anchalik College organised by Assam Science Society Bhawanipur Branch in collaboration with science forum Bhawanipur Anchalik College















# অসম বিজ্ঞান সমিতি, গহপুৰ শাখা ৰ উদ্যোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন










আজি 28 ফেব্ৰুৱাৰী 2025 ইং তাৰিখে অসম বিজ্ঞান সমিতি, ছয়গাঁও শাখাই নতুন জাৰাবাৰী স্থিত সাতগাঁও আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত দিনজোৰা কাৰ্য্যসূচীৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰে। ৰাতিপুৱা 10.30 বজাত বিদ্যালয় প্ৰাংগনত অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি শ্ৰীযুত অম্বিকা প্ৰসাদ দেৱ শৰ্মাই। পতাকা উত্তোলনৰ পিছত ছাত্ৰ ছাত্ৰীৰ মাজত কুইজ আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাত বিভিন্ন স্থানীয় বিদ্যালয় সৰ্বমুঠ 16টা দুজনীয়া দলে অংশগ্ৰহণ কৰে। কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে শাখাৰ আজীৱন সদস্য দিলীপ শৰ্মাই। আনহাতে আকস্মিক বক্তৃতাত সমৰজ্যোতি ঠাকুৰীয়াই প্ৰথম , ৰাকেশ কৈৱৰ্তই দ্বিতীয়, বেদশ্ৰুতি সাউদে তৃতীয় আৰু অংকুৰ দাসে নিচুকনি বঁটা লাভ কৰে। আকস্মিক বক্তৃতা বিচাৰ কৰে আজীৱন সদস্য শ্ৰী গিৰিশ কলিতা আৰু সাধাৰণ সদস্য নীৰেন কলিতাই। আবেলি 2.00 বজাত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক তথা কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য শ্ৰী দীনেশ চন্দ্ৰ কলিতাই। উদ্দেশ্য বাখ্যা কালত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্যৰ লগতে অসম বিজ্ঞান সমিতি গঠনৰ ইতিহাস আৰু বিজ্ঞান সমিতিয়ে গঢ় দিয়া খানাপাৰাস্থিত আঞ্চলিক বিজ্ঞান কেন্দ্ৰ আৰু বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ় দিয়াৰ ইতিহাস বিস্তৃতভাৱে বাখ্যা কৰে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ এই বছৰৰ মূল বিষয় - " বিকশিত ভাৰতৰ বাবে বিজ্ঞান আৰু উদ্ভাৱনৰ ক্ষেত্ৰত বিশ্ব নেতৃত্বৰ বাবে যুৱ সমাজক সবলীকৰন"ৰ ওপৰত চমুকৈ বক্তৃতা ৰাখে। নেতৃত্বৰ বাবে যুৱ সমাজক সবলীকৰন"ৰ ওপৰত চমুকৈ বক্তৃতা ৰাখে। বিভিন্ন প্ৰতিযোগিতাত বঁটা






প্ৰাপক সকলক সভাত কিতাপ আৰু প্ৰমাণপত্ৰৰে পুৰস্কৃত কৰা হয়। সভাত সভাপতিয়ে ছাত্ৰ ছাত্ৰী সকলক বিজ্ঞান বিষয়টোত কেনেদৰে আগ্ৰহ বঢ়াব পাৰি তাৰ ওপৰত বক্তৃতা ৰাখে। সভাত সাতগাঁও আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক ৰঞ্জিত দাস আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল মেধিয়েও বক্তৃতা ৰাখে। সভাত শাখাৰ সভাপতি, সম্পাদকৰ উপৰিও উপস্থিত থকা সদস্য সকল হ'ল- গিৰিশ কলিতা, দিলীপ শৰ্মা, প্ৰভাত শৰ্মা, নীৰেন কলিতা, তাৰিণী দাস আৰু সুভাষ মেধি। ইয়াৰোপৰি বিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই বিদ্যালয় খনৰ জ্যেষ্ঠ শিক্ষক শ্ৰী যোগীৰাজ মেধিয়ে।

# National Science Day celebration by Assam Science Society, Goalpara Branch.















National science day celebration by Assam Science Society, Goalpara Branch













# Maligaon Branch,

## National Science Day Celebration at Guwahati






National Science Day is inaugurated by Gen Secy Sri Mrinal Kumar Hazarika,at Morigaon College

















মৰিগাঁও জিলাৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান মৰিগাঁও অভ্যসন প্ৰাথমিক বিদ্যালয়ৰ সহযোগত উৎযাপন





ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন । অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাই দিনজোৰা কাৰ্যসূচীৰে কলংপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰে












ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন , আজি ইংৰাজী ২৮ ফেব্ৰুৱাৰি ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতি , ধেমাজি শাখা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ধেমাজি খণ্ডৰ উদ্যোগত জামুগুৰি পাঁচআলি হাইস্কুলৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। ।অসম বিজ্ঞান সমিতি , ঢকুৱাখনা শাখাৰ সভাপতি লাৱণ্য লাহন চুতীয়াই সভাপতিত্ব কৰা আৰু সম্পাদক ডিম্বেশ্বৰ কলিতাই আঁতধৰা মুকলি কৰা সভাখন বিদ্যালয়ৰ ছাত্ৰী সকলে পৰিবেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ কৰা হয়। বিশিষ্ট অতিথি ধেমাজি জিলাৰ আয়ুক্ত (শিক্ষা) ডঃ সঞ্জীৱ কুমাৰ ফুকন। নিৰ্দিষ্ট বক্তা ডঃ বনজিত ভট্ট, অবসৰী উপাধ্যক্ষ, ধেমাজি মহাবিদ্যালয়। আমন্ত্ৰিত অতিথি: শ্ৰী পলাশ ৰঞ্জন হাজৰিকা, খণ্ড উন্নয়ন বিষয়া, ধেমাজি খণ্ড









# তিনিচুকীয়া শাখাৰ

অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ উদ্যোগত হাপজান শিক্ষা খণ্ডৰ অন্তৰ্গত কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয় । বিদ্যালয়খনৰ তত্বাবধায়িকা সপোন সুৰভী আইদেউয়ে আঁত ধৰা অনুষ্ঠানটোত শাখাৰ সভাপতি ড০ ৰাজীৱ বৰদলৈ দেবে বিজ্ঞান দিৱসৰ তাৎপৰ্যৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ বিজ্ঞান আৰু যুক্তিনিষ্ঠ সত্যতাৰ ওপৰত এটি সুন্দৰ বক্তৃতা দাঙি ধৰে। শাখাৰ উপ সভাপতি ড০ বুলবুল গগৈ দেবে তেখেতৰ বক্তব্যত ছাত্ৰ-ছাত্ৰী সকলক বিজ্ঞান বিষয়টোৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ হ'লে কিতাপ পঢ়াৰ মানসিকতা গঢ়ি তুলিব লাগিব বুলি মত প্ৰকাশ কৰে। বক্তৃতা অনুষ্ঠানটোৰ পাছতেই বিভিন্ন বিদ্যালয়ৰপৰা অহা ছাত্ৰ-ছাত্ৰী সকলে প্ৰস্তুত কৰি উলিওৱা বিজ্ঞান আৰ্হিৰ প্ৰদৰ্শনী হয় । ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰদৰ্শিত ১৫ টা বিজ্ঞান আৰ্হিৰ উদ্ভাৱনী আৰু উপস্থাপনৰ বিভিন্ন দিশ সমুহ পৰ্যালোচনা কৰি বিচাৰকমণ্ডলী পূৰ্ণ কাকতি, ড০ ৰঞ্জনা বৰদলৈ, ড০ বুলবুল গগৈ , দেৱকান্ত বুঢ়াগোহাঁই দেবে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা প্ৰদৰ্শিত পানী মেটেকাৰ পৰা সৃষ্টি কৰিব পৰা লাগতীয়াল বস্তু শীৰ্ষক আৰ্হিটো প্ৰথম পুৰস্কাৰ বাবে বিবেচনা কৰে । বিজ্ঞান আৰ্হিৰ প্ৰদৰ্শনীৰ দ্বিতীয়, তৃতীয় আৰু উদগনি পুৰস্কাৰ বাবে ক্ৰমে জাতীয় বিদ্যালয় মাকুম (স্বাভাৱিক কৃষি পদ্ধতি) , বদৌচা চিনিয়ৰ চেকেণ্ডেৰী স্কুল (পানী সংৰক্ষণ আৰু পুনৰ ব্যৱহাৰ) আৰু বাৰেকুৰি হাইস্কুলৰ (Kaleidoscope chemical magic) ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰদৰ্শিত আৰ্হিকেইটা বিবেচিত হয় । অনুষ্ঠানটোত কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ লগতে দাঁতি-কাষৰীয়া বিদ্যালয়ৰ পৰা অহা ২০০ ৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থাকে।সম্পাদক অসম বিজ্ঞান সমিতি, তিনিচুকীয়া শাখা














আজি ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ত বিজ্ঞান সমিতিৰ উদ্যোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত বিজ্ঞানৰ মূল বিষয় বস্তু সাঙুৰি এক আলোচনা কৰা হয় লগতে ছাত্ৰ ছাত্ৰী সকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতা আৰু বিজ্ঞান ভিত্তিত আৰ্হি বনোৱা প্ৰতিযোগিতা আয়োজন কৰা হয়









Visuals of NSD2025 observed at SL Collegiate HighSchool byJ B Branch,Assam Science Society incollaboration withSL Collegiate HighSchool on 28th Feb '25












ৰাষ্ট্ৰীয়_বিজ্ঞান_দিৱস_উদ্‌যাপনঅসম বিজ্ঞান সমিতি, বকো শাখাৰ উদ্যোগত মৌমান আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ত আজি দিৱসটি উদ্‌যাপন কৰা হয়। শাখাৰ সভাপতি অৰবিন্দ চৌধুৰী মহোদয়ে সঞ্চালনা কৰা আলোচনা সত্ৰত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপনৰ উদ্দেশ্য শাখাৰ অন্যতম উপ-সভাপতি ধ্ৰুৱজ্যোতি মেধি ডাঙৰীয়াই ব্যক্ত কৰাৰ আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষক দীপক কলিতা মহোদয়ে আদৰণী জনোৱাৰ পিছত 'বিকশিত ভাৰতৰ বিজ্ঞান আৰু উদ্ভাৱন ক্ষেত্ৰত বিশ্ব নেতৃত্বৰ বাবে যুৱ সমাজৰ সৱলীকৰণ' শীৰ্ষক আলোচ্য বিষয়বস্তুৰ ওপৰত সুন্দৰ আলোচনা আগবঢ়ায় ক্ৰমে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ কামৰূপ জিলাৰ সমন্বয়ক তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° ৰঞ্জিত বৈশ্য মহোদয়, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° তপন দত্ত মহোদয়, ডি এন ডি আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক গৌৰাংগ ঠাকুৰীয়া মহোদয়, বকো ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন চন্দ্ৰ কলিতা মহোদয়, মহাবিদ্যালয়খনৰ অৱসৰী উপাধ্যক্ষা ড° বিজয়া ডেকা বাইদেৱে । ডক্টৰ ডেকা বাইদেৱে প্লাষ্টিক বেগৰ সলনি কাপোৰৰ বেগৰ ব্যৱহাৰ কৰাৰ উদ্গনি যোগোৱাৰ উদ্দেশ্য আগত ৰাখি এখন কাপোৰৰ বেগ প্ৰতীকৰূপে বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ হাতত অৰ্পন কৰে। আশা কৰে এনেকুৱা মোনা ব্যৱহাৰ কৰি পৃথিৱীখনক সেউজীয়া কৰি ৰখাত কিঞ্চিৎকৈ হ'লেও অৰিহণা আগবঢ়াব । বিদ্যালয়ৰ পুথিভঁৰাললৈ দুখন 'বিজ্ঞান জেউতি' আলোচনী সভাপতি মহোদয়ে প্ৰধান শিক্ষকক প্ৰদান কৰাৰ পিছত প্ৰধান শিক্ষকে শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পাছত সভাপতি বক্তব্য ৰাখি উঠি সভাখন ভংগ ঘোষণা কৰে। আজিৰ সভাত বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী মঞ্জু দাসৰ লগতে সম্পাদক পৱিত্ৰ কৈৱৰ্ত্ত আৰু সহকাৰী সম্পাদিকা তথা মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপিকা গায়ত্ৰী খাৰঘৰীয়া বাইদেউ আৰু সহকাৰী সম্পাদক তথা বকো মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক নৱ কুমাৰ নাথো উপস্থিত থাকে।











# Tezpur Branch of Assam Science Society observed National Science Day 2025 at Darrang College










গড়মূৰ, ২৮ ফেব্ৰুৱাৰী : অসম বিজ্ঞান সমিতিৰ মাজুলী জিলা শাখাৰ উদ্যোগত, হামিং বাৰ্ড বিদ্যালয়ৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিবস পালন কৰা হয়। হামিং বাৰ্ড বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় বিজ্ঞান দিবস-২০২৫ৰ মূল বিষয় 'বিকশিত ভাৰতৰ বাবে বিজ্ঞান আৰু উদ্ভাবনত বিশ্বক নেতৃত্ব দিবলৈ ভাৰতৰ যুব সমাজৰ সবলীকৰণৰ ওপৰত বক্তৃতা প্ৰদান কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নবেন ঠাকুৰীয়াই। অনুষ্ঠানত হামিং বাৰ্ড বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু দেউদিয়াআটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান বিষয়ৰ বিভিন্ন প্ৰকল্প প্ৰদৰ্শন কৰে। দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান বিষয়ৰ নাট পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীত মাজুলী জিলা বিজ্ঞান সমিতিৰ জীৱন বৰা, হামিং বাৰ্ড বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।









# डिगबोई महाविद्यालय में राष्ट्रीय विज्ञान दिवस पर जिला स्तरीय प्राइजमनी प्रतियोगिता संपन्न

**पूर्वांचल प्रहरी निज संवाददाता**


**डिगबोई :** राष्ट्रीय विज्ञान दिवस 2025 के उपलक्ष्य में शुक्रवार को डिगबोई महाविद्यालय ( स्वायत्त) में विद्यार्थियों के मध्य तिनसुकिया जिला स्तरीय प्राइजमनी संगोष्ठी प्रतियोगिता का आयोजन किया गया। यह कार्यक्रम असम विज्ञान समिति की डिगबोई शाखा द्वारा डिगबोई महाविद्यालय आंतरिक गुणवत्ता आश्वासन सेल, इलोरा विज्ञान मंच की डिगबोई शाखा और असम आयल डिवीजन सेवानिवृत कर्मचारी कल्याण संघ आदि के सहयोग से आयोजित किया गया। इस प्रतियोगिता में प्रथम पुरस्कार प्रापक डिगबोई महाविद्यालय (स्वायत्त) के अन्वेषा चौधरी और भरत शर्मा को नगद पांच हजार रुपए सहित स्व. माधव चंद्र पटवारी स्मृति पुरस्कार प्रदान किया गया। वहीं द्वितीय पुरस्कार लिडू महाविद्यालय के मोहम्मद अजीज अहमद और मोहम्मद तारीफ खान ने और तृतीय पुरस्कार डिगबोई महाविद्यालय (स्वायत्त) के सयनिका भट्टाचार्य और जयश्री दास ने प्राप्त किया । प्रतियोगिता में श्रेष्ठ प्रस्तुतकर्ता का पुरस्कार भरत शर्मा को प्रदान किया गया। डॉ किशोर हालोई के संचालन में आयोजित इस कार्यक्रम में डिगबोई महाविद्यालय (स्वायत्त) के प्राचार्य डॉ. पवित्र भराली ने स्वागत और उद्घाटन भाषण प्रदान किया। असम विज्ञान समिति की डिगबोई शाखा के अध्यक्ष डॉ अरुण चंद्र शर्मा की अध्यक्षता में आयोजित इस कार्यक्रम में इलोरा विज्ञान मंच की डिगबोई शाखा के सचिव अजीत कर और असम ऑयल डिविजन सेवानिवृत कर्मचारी कल्याण संघ के अध्यक्ष नगेन सुतिया ने विद्यार्थियों को केंद्रित कर अपना वक्तव्य प्रदान किया । कार्यक्रम में डिगबोई महाविद्यालय (स्वायत्त) के भौतिक विज्ञान विभाग के छात्र अविनाश बुरागोहाई ने सी. वी . रमन और रमन प्रभाव पर अत्यंत सारगर्भित वक्तव्य प्रदान किया। प्रतियोगिता में बतौर निर्णायक सेवानिवृत सहायक अध्यापक डॉ तिलक चंद्र दत्त और डॉ अरुण विकास देवनाथ और विषय शिक्षक रंजीत बोरा उपस्थित थे। प्रतियोगिता में तिनसुकिया जिले के विभिन्न महाविद्यालयों से कुल 12 टीमों ने हिस्सा लिया। कार्यक्रम के अंत में असम विज्ञान समिति के सहायक महासचिव डॉ. कानोई दास ने धन्यवाद ज्ञापन प्रस्तुत किया। इस दौरान सभा में रश्मि रंजन बोरा, प्रभात शर्मा सहित डिगबोई महाविद्यालय (स्वायत्त) के अध्यापक और नगर के गणमान्य व्यक्ति उपस्थित थे।

# প্ৰকল্প কাৰ্যকৰীকৰণ উপসমিতিৰ সভা (২৮.০২.২০২৫)Time: Friday, February 28 · 7.00PM Google Meet



# State-level workshop at Khanapara

State-level workshops of the project "Application of Digital Platforms for Dissemination of Science under Popularization of Science in Villages of Assam for the financial Year 2024-2025" held on 09.03.25 at Assam Science Society Head Quarter.















# 12th Executive Committee Meeting held on 09.03.25 at Assam Science Society Head Quarter


















Exhibition at 57th conference of ABSU at Dotma from 14th - 16th March, 2025





# Letter to Editor.....
# সম্পাদকলৈ চিঠি

## আপোনালোকৰ প্ৰশ্ন অথবা পৰামৰ্শ আমালৈ চমুকৈ লিখি পঠিয়াওক।

Write any comment and good suggestion to :

Email : bigyanbarta@gmail.com

WhatsApp: 60013-99315

# জাতীয় বিজ্ঞান পুঁজি

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

অসম বিজ্ঞান সমিতিৰ 54 সংখ্যক দুলীয়াজানৰ অধিবেশনত সমিতি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ বাবে **"জাতীয় বিজ্ঞান পুঁজি"** নামেৰে এটি পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তাৰেই ভিত্তিত কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ কাৰ্যকৰী সভাপতিক(কুটুবুদ্দিন আহমেদ) সভাপতি আৰু প্ৰদীপ নেওঁগ আৰু অবনী দাসক আহ্বায়ক ৰূপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰে ।সমিতি খনৰ তৎপৰতাত ওপৰত উল্লেখ কৰা ধৰণে এটি একাউণ্ট খোলা হৈছে।
গতিকে ইচ্ছুক সদস্য ক বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনালোঁ ।উল্লেখযোগ্য যে এই পূজিত আগবঢ়োঁৱা ধন আয়কৰ মুক্ত হব।
ইতিমধেই সন্মানীয় সদস্য সকলে দান আগবঢ়াইছে।

আশাকৰো সমিতিৰ সন্মানীয় সদস্য সকলে সহযোগিতা আগবঢ়াব।



ধন্যবাদেৰে
মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব
অ বি স

# Jatiya Bigyan Punji

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

In the 54th Duliajan session of the Assam Science Society, a proposal was adopted to set up a fund called **"Jatiya Bigyan Punji "** to make the Society financially self-reliant. On the basis of this, the Executive Committee formed a committee by electing the executive president of the committee (Kutubuddin Ahmed) as the president and Pradeep Neog and Abani Das as the convener. An account has been opened as mentioned above in the promptness of the committee.
So I request the interested members to contribute. It is worth mentioning that the money offered in this Fund will be free from income tax.
It has already been donated by the esteemed members.

I hope the honourable members of the committee will cooperate.

With thanks
Mrinal Kumar Hazarika
General Secretary
Assam Science Society